# Pedagogie processes in Elementary Schools
## Block-1
## Learning and Teaching Process

Translated by
Aparajita Sharma
Asstt. Prof in Education
M.S. Girls College, Rangia

**অধ্যায় ১ ঃ** প্ৰাৰম্ভিক শিক্ষাৰ শিক্ষণ আৰু শিকন

**গাঁথনি**

১.০. পৰিচয়

১.১ শিক্ষণ উদ্দেশ্য

১.২ শিক্ষণ প্ৰক্ৰিয়া

১.২.১ ধাৰণা আৰু প্ৰক্ৰিয়া

১.২.২ শিক্ষণত প্ৰভাৱ পেলোৱা উপাদানসমূহ

১.৩ শিশুৱে কেনেকৈ শিকে

১.৩.১ অনুকৰণ

১.৩.২ নিৰীক্ষণ

১.৩.৩ প্ৰচেষ্টা আৰু ভুল

১.৩.৪ অংশগ্ৰহণ/কৰা

১.৩.৫ আৱিষ্কাৰ/অনুসন্ধান

১.৩.৬ সমস্যা সমাধান

১.৩.৭ অৰ্থ বুজোৱাৰ বাবে শিক্ষণ

১.৪. শিকন প্ৰক্ৰিয়া

১.৪.১ আচৰণ সংশোধনৰ শিকন

১.৪.২ সংজ্ঞানাত্মক বিকাশৰ বাবে শিকন

১.৪.৩ অভিজ্ঞতা সংগঠনৰ বাবে শিকন

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১.৬ অগ্ৰগণি নিৰীক্ষণৰ বাবে আৰ্হি প্ৰশ্নাৱলী

১.৭ অধিক জানিবলৈ প্ৰসংগ পুথি

১.৮ অধ্যায়ৰ শেষৰ অনুশীলনী

## ১.০ পৰিচয়

শিক্ষণ আৰু শিকন হৈছে দুটা প্ৰক্ৰিয়া, শিক্ষক হিচাবে আপুনি যি দুটাৰ লগত খুবেই পৰিচিত কাৰণ শিশুসকলৰশিক্ষাৰ সৈতে আপোনালোক জড়িত হৈ থাকে। সাধাৰণতে আপোনালোকে আশা কৰে যে আপোনাৰ শ্ৰেণীৰ সকলো শিশুই তেওঁলোকৰ নিজৰ সামৰ্থ্য অনুসৰি অধিক শিক্ষণ অভিজ্ঞতা আহৰণ কৰক। ঠিক সেইদৰে সকলো শিক্ষকেই তেনেদৰে আশা কৰে যে শিক্ষাৰ্থীয়ে নতুন অভিজ্ঞতা আহৰণত নিজৰ চেষ্টাক পাৰ্যমানে প্ৰয়োগ কৰক, অৱশ্যে প্ৰত্যেক শিক্ষকে এই ক্ষেত্ৰত একেধৰণেৰে আগনাবাঢ়ে।

এতিয়া আমি তলত উল্লেখ কৰা এখন প্ৰাথমিক বিদ্যালয়ৰ দুটা শ্ৰেণীৰ পৰিস্থিতি বিবেচনা কৰোঁ।

**পৰিস্থিতি-১ ঃ**

পঞ্চম শ্ৰেণীত মি ৰমনে ছাত্ৰ-ছাত্ৰীক গছৰ বিভিন্ন অংশৰ বিষয়ে পঢ়াই আছিল। তেখেতে ব'ৰ্ডত গছ এডাল আঁকি তাৰ সহায়ত গছৰ বিভিন্ন অংশসমূহ যেনে - শিপা, গা-গছ, ডাল, পাত, ফুল, ফল, গুটি আদিৰ বিষয়ে বৰ্ণনা কৰিছিল। তেখেতে মাজে সময়ে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিছিল তেওঁলোকে বুজি পাইছেনে নাই। মাজে সময়ে তেখেতে ছাত্ৰ-ছাত্ৰীক ধেমেলিয়া কথা কৈছিল আৰু অমনোযোগী ছাত্ৰক ব'ৰ্ডত আঁকি থোৱা ছবি আঙুলিয়াই দিছিল। শ্ৰেণীৰ শেষত তেখেতে অনা গছৰ বিভিন্ন অংশবোৰ ছাত্ৰ-ছাত্ৰীক দেখুৱাব কৈছিল।

**পৰিস্থিতি-২ ঃ**

অন্য এটা শ্ৰেণীত, মিচ সীমাই সেই একে বিষয় গছৰ বিভিন্ন অংশৰ চিনাক্তকৰণৰ বিষয়ে অন্য ধৰণে শিকাই আছিল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক ঘৰৰ পৰা গছপুলি আনিবলৈ কৈছিল। তেখেতে শ্ৰেণীৰ শিক্ষাৰ্থীসকলক পাঁচজনীয়াকৈ দল গঠন কৰি দিছিল, তেওঁলোকক কাগজত গছৰ চিত্ৰ আঁকি, ৰং দি তাৰ বিভিন্ন অংশসমূহ চিনাক্ত কৰি লিখিবলৈ দিছিল। প্ৰত্যেক দলৰ শিক্ষাৰ্থীসকলে নিজৰ নিজৰ কৰ্ম শেষ কৰাৰ পাছত আন ছাত্ৰ-ছাত্ৰীসকলে চোৱাৰ বাবে সেইবোৰ বেৰত আঁৰি দিছিল। শ্ৰেণীৰ শেষত মিচ সীমাই আমগছৰ চিত্ৰ আঁকি তাৰ বিভিন্ন অংশসমূহ চিনাক্ত কৰিব দিছিল, তাৰ ফলত শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত এই কামটো কৰিবলৈ প্ৰতিযোগিতাৰ সৃষ্টি হৈছিল।

**আপোনালোকে ওপৰত উল্লেখ কৰা শ্ৰেণী দুটাৰ শিক্ষণ শিকন প্ৰক্ৰিয়াৰ মাজৰ পাৰ্থক্য উলিয়াব পাৰিবানে?**

এই দুয়োটা পৰিস্থিতিৰ মাজৰ সাদৃশ্যবোৰ হ'ল-

(ক) শিক্ষকে কাৰ্যাৱলী পৰিকল্পনা কৰিছিল আৰু

(খ) দুয়োটা শ্ৰেণীতে শিকনৰ বাবে কিছুমান সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল।

যি নহওক, দুয়োটাৰ মাজত থকা পাৰ্থক্যবোৰ এনেধৰণৰ—

- **প্ৰথম পৰিস্থিতি,** সমগ্ৰ শ্ৰেণীটো শিক্ষকৰ অধীনত আছিল। শিক্ষকে পাঠ পৰিকল্পনা কৰিছিল, শিক্ষণ-শিকনৰ আহিলাসমূহ নিজে সাজু কৰিছিল, ধাৰণাসমূহ ব্যাখ্যা কৰিছিল, প্ৰশ্ন সুধিছিল আৰু শ্ৰেণীকোঠাৰ আন কাৰ্যাৱলীসমূহ সম্পন্ন কৰিছিল। ছাত্ৰ-ছাত্ৰীসকল সক্ৰিয় হৈ আৰু শিক্ষকৰ নিৰ্দেশনা বাধ্যভাবে শুনিছিল।
- **দ্বিতীয় পৰিস্থিতি,** শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকল শিক্ষণ কাৰ্যাৱলীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল, তাত শিক্ষকৰ নিৰ্দেশনা খুব কম আছিল। তেওঁলোকে নিজে সামগ্ৰীসমূহ আনিছিল, চাৰ্ট প্ৰস্তুত কৰিছিল, বিভিন্ন অংশবোৰ চিনাক্ত কৰি সেইবোৰ নাম লিখিছিল, চাৰ্টসমূহ দেখুৱাইছিল আৰু মূল্যায়ন কাৰ্যত

ইচ্ছাকৃতভাৱে অংশগ্ৰহণ কৰিছিল। ইয়াৰ পৰা দেখা যায় যে শিকনৰ দুই প্ৰকাৰৰ মাজৰ পাৰ্থক্য হৈছে শিক্ষকৰ শিক্ষাৰ্থীসকলৰ প্ৰতি থকা মনোভাবৰ পাৰ্থক্য। প্ৰকৃততে, শিক্ষণ আৰু শিকনৰ অন্তৰালত থকা অনুশীলন বেলেগ বেলেগ। মিঃ ৰমনে বিশ্বাস কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকল কম বয়সীয়া আৰু অনভিজ্ঞ। সেইবাবে তেওঁলোকক শিক্ষণ প্ৰদান কৰিব লাগে। আকৌ মিচ সীমাই বিশ্বাস কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীলৈ অহাৰ পূৰ্বে তেওঁলোকৰ চাৰিওফালৰ পৃথিৱীখনৰ কিছু অভিজ্ঞতা লৈ আহিছে আৰু সেইবোৰ তেওঁলোকে উপযোগ কৰি আৰু নতুন অভিজ্ঞতা অৰ্জন কৰিব পাৰে।

এনেদৰে শিক্ষাৰ্থীৰ প্ৰতি থকা বিশ্বাস আৰু ধাৰণা, শিক্ষকৰ ভূমিকা, শ্ৰেণী কোঠাৰ আদান-প্ৰদা প্ৰক্ৰিয়া, মূল্যায়নৰ ধৰণ আদিয়ে প্ৰকৃত শিক্ষণ-শিকন প্ৰক্ৰিয়া আৰু অনুশীলন এক প্ৰভাৱিত কৰি তোলে। কিছুমান শিক্ষকে শিক্ষাৰ্থীৰ নিৰীক্ষণীয় আচৰণ সংশোধনত গুৰুত্ব দিয়ে, কিছুমানে বুদ্ধিৰ (সংজ্ঞানাত্মক) সমৰ্থৰ বিকাশত গুৰুত্ব দিয়ে আৰু আন কিছুমানে বিশ্বাস কৰে যে শিক্ষাৰ্থীসকলক জ্ঞান অৰ্জনত সহায়হে কৰিব লাগে। শিক্ষক হিচাবে আপুনি শিকনৰ বিভিন্ন ব্যৱহাৰ আৰু বিশ্বাসৰ প্ৰতি সতৰ্ক হ'ব লাগিব আৰু এই অধ্যায়টোৰ পৰা আপোনালোকে সেইটো শিকিব পাৰিব। আপোনালোকে শিক্ষণ প্ৰক্ৰিয়াৰ প্ৰকৃতি আৰু বৈশিষ্ট্য সম্পৰ্কে জানিব পাৰিব, শিশুসকলৰ শিক্ষণৰ পথ আৰু শিকণৰ বিভিন্ন ধাৰা, যিবোৰ বিশ্বাসে আৱৰি থাকে তেনেবোৰ দিশ সম্পৰ্কে জানিব পাৰিব। শিক্ষণ-শিকনৰ প্ৰক্ৰিয়াৰ তত্ত্ব আৰু অনুশীলনে তিনিটা অভিগমন অনুকৰণ কৰে সেইকেইটা হ'ল - শিক্ষণ আৰু শিকন - (ক) আচৰণৰ সংশোধন (খ) সমস্যা সমাধান আৰু (গ) অভিজ্ঞতাৰ গঠন। উঠি অহা শিশুসকলৰ বাবে এইবোৰ পদ্ধতি অৰ্থপূৰ্ণ। এইটো বিশ্বাস কৰা হয় যে যেতিয়া শিকণ শিশুসকলৰ বাবে অৰ্থপূৰ্ণ হয়, তেতিয়া সি/তাই শিক্ষণ কাৰ্য ভাল পায়। সেইবাবে শিশুক জীৱনযোৰা শিক্ষণৰ বাবে সহায় কৰাটো গুৰুত্বপূৰ্ণ।

আপোনালোকে যেতিয়া এই অধ্যায়টো অধ্যয়ন কৰিব তেতিয়া আপোনালোকে প্ৰাথমিক স্কুলৰ আৰম্ভণি কৰা শিশুসকলৰ কথা মনত ৰাখিব লাগিব আৰু এই অধ্যায়টো সম্পূৰ্ণৰূপে আয়ত্ত কৰিবলৈ আপোনালোকক ১২ ঘণ্টা সময়ৰ প্ৰয়োজন হ'ব।

## ১.১ শিক্ষণ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি

- শিক্ষণৰ ধাৰণা আৰু প্ৰক্ৰিয়া ব্যাখ্যা কৰিব পাৰিব।
- শিক্ষণ প্ৰক্ৰিয়া প্ৰভাৱিত কৰা কাৰকসমূহ দাঙি ধৰিব পাৰিব।
- শিক্ষণৰ বিভিন্ন তত্ত্বসমূহ আৰু ধৰণ বৰ্ণনা কৰিব পাৰিব।
- শিক্ষণ আৰু শিকনৰ প্ৰচলিত আৰু আধুনিক অভিগমনৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব।

## ১.২ শিক্ষণ প্ৰক্ৰিয়া

শিক্ষণ কি? এটা শিশুৱে কেনেকৈ শিকে? আমি কেনেকৈ শিশুৰ শিক্ষাক সুবিধা দিব পাৰো? শিক্ষক হিচাবে আুনি কিছুমান প্ৰশ্ন বুজি পাব লাগিব কাৰণ বিদ্যালয়ত শিশুৰ শিক্ষণ সম্পূৰ্ণ কৰাৰ দায়িত্ব আপোনাৰ।

### ১.২.১ ধাৰণা আৰু প্ৰক্ৰিয়া

আপোনালোকে পঢ়িব আৰু বিচাৰ কৰি চাবৰ বাবে তলত কিছুমান শিক্ষণ সম্পৰ্কীয় উক্তি দাঙি ধৰা হ'ল।

- শিক্ষণ হৈছে সংশোধন প্ৰক্ৰিয়া, কম বেছি পৰিমাণে স্থায়ী, আমাৰ চাৰিওফালৰ পৃথিৱীখনত কি ঘটিছে, আমি কি কৰিছো, আমি কি নিৰীক্ষণ কৰোঁ।
- শিক্ষণ হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা আচৰণৰ উৎপত্তি হয় বা প্ৰশিক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা আচৰণৰ পৰিবৰ্তন হয় (প্ৰাকৃতিক পৰিৱেশ বা প্ৰয়োগশালাত)।
- শিক্ষণ হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা ব্যক্তিয়ে বিভিন্ন অভ্যাস, জ্ঞান আৰু মনোভাৱ আহৰণ কৰে যিবোৰ সাধাৰণ জীৱনৰ চাহিদা পূৰণৰ বাবে প্ৰয়োজনীয়।
- শিক্ষণ হৈছে ব্যক্তিত্বৰ স্থায়ী পৰিবৰ্তন (য'ত সংজ্ঞানাত্মক, আনুভূতিক, মনোভাৱাত্মক অভিৰুচিমূলক, আচৰণমূলক আৰু পৰীক্ষণীয় দিশ অন্তৰ্ভুক্ত থাকে) আৰু অনুশীলনীৰ দ্বাৰা হোৱা পৰিৱেশনৰ পৰিৱৰ্তনক প্ৰতিফলন কৰে যদিও স্মৃতিকে ধৰি এইবোৰ অন্তদৰ্শন বা আন উপাদানৰ পৰা উদ্ভৱ হয়। (Sahakian, 1976 P.3)

এই উক্তিসমূহৰ পৰা আমি শিক্ষণক তিনিটা বহল দিশৰ পৰা বিবেচনা কৰিব পাৰোঁ।

- আপেক্ষিকভাৱে আচৰণ স্থায়ী সংশোধন।
- জীৱনৰ চাহিদা পূৰণৰ বাবে প্ৰয়োজনীয় অভ্যাস, জ্ঞান আৰু মনোভাব আহৰণ।
- আপেক্ষিকভাৱে ব্যক্তিত্বৰ স্থায়ী পৰিবৰ্তন। (সকলো সাম্ভাব্য দিশত)

**শিক্ষণ প্ৰক্ৰিয়াৰ বৈশিষ্ট্যসমূহ হৈছে**

- **শিক্ষণ হৈছে অবিৰত প্ৰক্ৰিয়া ঃ** ব্যলাকালৰ পৰাই সকলো মানুহে তেওঁৰ/তাইৰ আচৰণ, চিন্তা, মনোভাৱ, আগ্ৰহ ইত্যাদিবোৰ অবিৰত ভাৱে পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰে, যাতে পৰিবৰ্তনশীল জীৱনৰ সৈতে নিজকে খাপ খুৱাব পাৰে।

  **শিক্ষণ হৈছে লক্ষ্য সচেতন ঃ** প্ৰত্যেক মানুহৰ জীৱনৰ কিছুমান লক্ষ্য থাকে। এই লক্ষ্যসমূহত শিক্ষণৰ জৰিয়তে উপনীত হ'ব পাৰি। যদি কোনো উপনীত হ'বলৈ কোনো লক্ষ্য নেথাকে, তেতিয়া শিক্ষণৰ কোনো প্ৰয়োজন নেথাকে।

  **শিক্ষণ উদ্দেশ্য প্ৰণোদিত ঃ** যিহেতু ব্যক্তিয়ে লক্ষ্য নিৰ্ধাৰণ কৰে, সেইবাবে লক্ষ্য পূৰণৰ বাবে ইচ্ছাকৃতভাৱে কিছুমান কামত ব্ৰতী হ'বলগীয়া হয় যদিহে। তেওঁ/তাইৰ লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্য নেথাকে বা এইদিশৰ প্ৰতি উদাসীন, তেতিয়া লক্ষ্যত উপনীত হ'ব পৰাটো কঠিন আৰু ক্ষেত্ৰত শিক্ষণ দুৰ্বল হয় বা শিক্ষণ সম্ভৱ নহ'বও পাৰে।

**শিক্ষণ হৈছে এক সক্ৰিয়া প্ৰক্ৰিয়া —**

আমি কিবা এটা শিকিবৰ বাবে শাৰীৰিক বা মানসিক অথবা দুয়োটা দিশৰ কাৰ্য কৰিবলগীয়া হয়। নতুন অভিজ্ঞতা আহৰণৰ বাবে মনটো সক্ৰিয় হৈ থাকিব লাগিব, নহ'লে কোনো ধৰণৰ শিক্ষণ সম্ভৱ নহয়।

**শিক্ষণ ব্যক্তিকেন্দ্রিক ঃ** আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে শ্ৰেণীৰ কিছুমান ছাত্ৰই অতি সোনকালে শিকে কিন্তু অন্য কিছুমানৰ শিক্ষণ লেহেম হয়। প্ৰকৃততে, শিক্ষণৰ গতি ব্যক্তি ভেদে পৃথক পৃথক হয়।

**শিক্ষণ হৈছে ব্যক্তিৰ পৰিৱেশৰ সৈতে ঘটা সংযোজন ঃ** শিক্ষণ হিচাবে আপুনি শ্ৰেণীৰ পৰিৱেশ উপযুক্তভাৱে গঢ়ি তুলিব লাগিব, তেতিয়াহে আপোনাৰ প্ৰতি, সমনীয়া আৰু শিক্ষণ সামগ্ৰীৰ প্ৰতি ছাত্ৰ অভিৰুচিত হ'ব।

**শিক্ষণ স্থানান্তৰণ হয় ঃ**

এটা পৰিস্থিতিৰ শিক্ষণক আমি আন এটা পৰিস্থিতিৰ সমস্যা সমাধান কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰোঁ। গণিত, বিজ্ঞান, সমাজ বিজ্ঞান আৰু ভাষাৰ শিক্ষণে শিশুক বাস্তৱ জীৱনৰ কাৰ্য সম্পাদনত সহায় কৰে।

**অনু ঃ ১ শিক্ষণৰ যিকোনো তিনিটা বৈশিষ্ট্য উদাহৰণসহ ব্যাখ্যা কৰক।**

### ১.২.২ শিক্ষণত প্ৰভাৱ পেলোৱা উপাদানসমূহ

আপোনালোকে নিশ্চয় লক্ষ্য কৰে যে কিছুমান মানুহে গাড়ী চলাব বা সাঁতুৰিব বা ৰান্ধিব অতি সহজে শিকে, কিন্তু আন কিছুমানে নোৱাৰে। কিয় এনে হয়? ব্যক্তিয়ে কি কেনেকৈ শিকে কিয় তাৰ মাজত পাৰ্থক্য থাকে? এই প্ৰশ্নসমূহৰ উত্তৰ পাবলৈ হ'লে আমি শিক্ষণৰ ওপৰত প্ৰভাৱ পেলোৱা উপাদানসমূহ বুজিব লাগিব।

**শিক্ষণ আৰু পৰিপক্কতা ঃ**

বৃদ্ধি প্ৰক্ৰিয়াৰ সৈতে পৰিপক্কতা জড়িত। ই পৰিবৰ্তনৰ বৰ্ণনা কৰে যি আপেক্ষিকভাৱে পৰিৱেশ প্ৰভাৱৰ পৰা স্বাধীন আৰু বংশগতিৰ প্ৰভাৱৰ লগত নিবিড়ভাৱে জড়িত। আনহাতে শিক্ষণ প্ৰধানকৈ ব্যক্তিৰ তৎক্ষণিক পৰিৱেশৰ সৈতে ঘটা আন্তঃসম্পৰ্কৰ দ্বাৰা গঠন হয়। উদাহৰণ স্বৰূপে খোজকঢ়াৰ আৰম্ভণি দেহৰ কিছুমান মাংসপেশীৰ পৰিপক্কতাৰ ওপৰত নিৰ্ভৰ কৰে আৰু তাৰ ফলত পেশী সঞ্চালনৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ বৃদ্ধি পাবলৈ ধৰে। (পৰিপক্কতাৰ বিকাশ) কিন্তু খোজকঢ়াৰ সৈতে জড়িত কৌশলৰ অনুশীলনীৰ অভাৱত (পৰিৱেশ আৰু শিক্ষণ), কেনোবাই খোজকাঢ়িব নোৱাৰিবও পাৰে। ঠিক সেইদৰে, যদিও কথা কোৱাৰ আৰম্ভণি প্ৰধানকৈ পৰিপক্কতাৰ দ্বাৰা প্ৰভাৱিত হয়, কিন্তু কোনেও উপযুক্ত অনুশীলন আৰু প্ৰশিক্ষণ নোহোৱাকৈ স্পষ্ট আৰু সলসলীয়াকৈ কথা ক'ব নোৱাৰে, যিবোৰ শিক্ষণৰ দ্বাৰা প্ৰভাৱিত হয়। আমি জানো যে ছমহীয়া শিশু এটাই পূৰণৰ নেওঁতা শিকাটো অসম্ভৱ, সি যেতিয়ালৈকে এক নিৰ্দিষ্ট স্তৰলৈকে পৰিপক্কতা লাভ নকৰে।

**শিক্ষণৰ বাবে প্ৰস্তুতি ঃ**

যেতিয়া আপুনি শ্ৰেণীকোঠাত শিক্ষণ সামগ্ৰী আদান-প্ৰদান কৰে তেতিয়া আপুনি শ্ৰেণীৰ অমনোযোগী ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। যেতিয়া সি/তাই শ্ৰেণীত আপোনাৰ প্ৰশ্নৰ প্ৰতি মন নিদিব, তেতিয়া আপুনি হয়তো বিৰক্ত হ'ব। এইটো কিয় ঘটে?

আপুনি কেতিয়াবা এনে ছাত্ৰ-ছাত্ৰীক অনুসন্ধান কৰিছেনে?

বিভিন্ন কাৰণসমূহ যেনে মনো শাৰীৰিক আৰু নতুবা সামাজিক আদিৰ ফলত ছাত্ৰ-ছাত্ৰী শিক্ষণৰ বাবে প্ৰস্তুত হৈ নুঠে। এই ক্ষেত্ৰত বিভিন্ন ধৰণৰ প্ৰস্তুতি, কিছুমান শাৰীৰিক পৰিপক্কতাৰ লগত জড়িত (যেনে

খোজ কাঢ়িবলৈ অসমৰ্থজনে  দৌৰত অংশ ল'ব নোৱাৰে) কিছুমান বৌদ্ধিক কৌশল বিকাশৰ আৰু তথ্য আহৰণৰ সৈতে জড়িত (সংখ্যাৰ যদি যোগ কৰিব নেজানে তেতিয়া তেওঁ পূৰণ কৰিবও নোৱাৰিব) আৰু কিছুমান অভিৰোচনৰ লগত জড়িত।

শিক্ষণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মানসিক প্ৰস্তুতিৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে, ভাষা শিক্ষণৰ ক্ষেত্ৰত, শিক্ষণৰ প্ৰাথমিক স্তৰতে শিশুক কঠিন শব্দ বা বাক্য শিকোৱাটো আশা কৰা নহয়। ঠিক সেইদৰে শাৰীৰিক কাৰ্যাৱলী যেনে- টাপক কৰা, নাচা ইত্যাদিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক প্ৰস্তুতিৰ প্ৰয়োজন। সেইবাবে প্ৰস্তুতি নিৰ্ধাৰণৰ বাবে আপোনাক শিশুৰ আবেগিক আৰু বৌদ্ধিক বিকাশৰ জ্ঞান থকাটো প্ৰয়োজন হ'ব।

**শিক্ষণ পৰিৱেশ ঃ** স্কুলৰ শিক্ষণ কাৰ্যকৰী হ'বলৈ, পৰিৱেশ সদায় শিক্ষাৰ উপযোগী হ'ব লাগিব, ছাত্ৰ-ছাত্ৰীক শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াত আদান-প্ৰদান কৰিবলৈ সময় আৰু সুযোগ প্ৰদান কৰিব লাগিব। শিক্ষণৰ পৰিৱেশ সৃষ্টি আৰু পৰিচালনা উপযুক্ত শ্ৰেণীকোঠা সংগঠন, আদান-প্ৰদান, স্কুলৰ কাৰ্যাৱলী প্ৰদৰ্শন আৰু অভিযোজনৰ দ্বাৰাহে সম্ভৱ হ'ব।

তলত উল্লেখ কৰা দুটা শ্ৰেণীকোঠাৰ পৰিৱেশ কল্পনা কৰক ঃ

**পৰিস্থিতি ঃ ৩**

এখন স্কুলৰ শ্ৰেণীকোঠা সৰু আৰু তাত ৪০জন ছাত্ৰ-ছাত্ৰী বহিছে, য'ত তেওঁলোকে ভালদৰে লৰচৰ কৰিবলৈ ঠাই নাই। সেই কোঠাটোত উপযুক্ত পোহৰ বতাহ চলাচলৰ সুবিধা নাই। সেই কোঠাটোত উপযুক্ত পোহৰ বতাহ চলাচলৰ সুবিধা নাই। অসহ্য গৰম আৰু ভৰ্তি কোঠাটোত ছাত্ৰসকলে ঘামিছিল আৰু হুলস্থুল কৰি আছিল। ঠাইৰ অভাৱৰ ফলত শিক্ষণৰ কোনো আহিলা-পাতি যত নাছিল। সেই শ্ৰেণীকোঠাত শৃংখলা বজাই ৰাখিবলৈ শিক্ষকগৰাকীয়ে চিঞৰিছিল।

**পৰিস্থিতি ঃ ৪**

প্ৰায় সমান সংখ্যক ছাত্ৰ-ছাত্ৰী থকা অন্য এখন স্কুলত, তেওঁলোকে মুক্ত, পৰিষ্কাৰ আৰু উপযুক্ত বতাহ চলাচল হৈ থকা শ্ৰেণীকোঠাত বিভিন্ন কাৰ্যত জড়িত হে আছিল। কোঠাৰ বেৰবোৰত উপযুক্ত শিক্ষা আহিলা আঁকা আছিল, শিক্ষণ-শিকনৰ দৃশ্য-শ্ৰাব্য সঁজুলিসমূহ উপযুক্তভাৱে ৰখা হৈছিল আৰু ছাত্ৰ-ছাত্ৰী সেইবোৰ ব্যৱহাৰৰ সুযোগ পাইছিল। শিক্ষকগৰাকীৰ আচৰণ বন্ধুত্ব সুলভ আছিল।

এক মুহূৰ্তৰ বাবে ভাবি চাওঁকচোন ওপৰৰ কোনটো পৰিস্থিতি শিক্ষণ বাবে উপযুক্ত আৰু কিয়? আকৌ আপোনাৰ নিজৰ স্কুলৰ দিনৰ কথা ভাবক। কি মনলৈ আহে? শিক্ষণ প্ৰক্ৰিয়াৰ কি কাৰ্যাৱলীয়ে আপোনাক অধিক সন্তোষ দিছিল? ক্ষেত্ৰ অধ্যয়ন, দলীয় কাৰ্যাৱলী/দলীয় কাৰ্য, প্ৰকল্প বা শ্ৰেণীকোঠাৰ বাহিৰৰ শিক্ষণ কাৰ্যাৱলী আৰু সমাজ তথা সম্প্ৰদায় বোধ হয় আপোনাক অধিক সন্তোষ দিয়ে।

- প্ৰকৃততে, অনুকূল শিক্ষণ পৰিৱেশ এনেয়ে সৃষ্টি নহয়, এই ক্ষেত্ৰত কিছুমান বৈষয়িক পৰিৱেশ সম্পৰ্কে বিবেচনা কৰিব লাগে - যেনে শ্ৰেণীকোঠাৰ আকাৰ, বেৰৰ ৰং, মজিয়াৰ ধৰণ, বতাহ আৰু পোহৰ চলাচলৰ সুব্যৱস্থা আৰু ইয়াৰ লগতে উপযুক্ত শ্ৰেণীকোঠাৰ পৰিচালনা-যিয়ে ছাত্ৰ-ছাত্ৰীৰ কাৰ্য ব্যৱস্থা পৰিচালনা কৰি তেওঁলোকক শিক্ষণ কাৰ্যত ব্ৰতী ৰাখে। সুৰক্ষিত, আকৰ্ষণীয় আৰু শিশু উপযোগী পৰিৱেশে আপুনি কৰিব দিয়া কাৰ্যাৱলীত উপযুক্তভাৱে তেওঁলোকক নিয়োগ কৰি ৰাখে।

**শিক্ষণ আৰু অভিৰোচন ঃ**

অভিৰোচন হৈছে এক উৎস যি ব্যক্তিৰ পৰা উদ্ভৱ হয়, যিয়ে লক্ষ্যত উপনীত নোহোৱালৈকে ছাত্ৰ-

ছাত্ৰীক কাৰ্যাৱলীৰ নিৰ্দেশনা দিয়ে আৰু নিয়ন্ত্ৰণ কৰে। অভিৰোচন দুই প্ৰকাৰৰ- আভ্যন্তৰীণ অভিৰোচন আৰু বাহ্যিক অভিৰোচন।

**আভ্যন্তৰীণ অভিৰোচন ঃ** আভ্যন্তৰীণ অভিৰোচন কামৰ প্ৰতি থকা আগ্ৰহৰ দ্বাৰা পৰিচালিত হয় আৰু ই ব্যক্তিৰ আভ্যন্তৰতহে সৃষ্টি হয়। বাহ্যিক উৎসৰ হেঁচাৰ দ্বাৰা এই প্ৰকাৰৰ অভিৰোচন নিৰ্ভৰশীল নহয়। আভ্যন্তৰীণ অভিৰোচনে বাহ্যিক দিশৰ কাৰ্যত কৈ কাম কৰাৰ পৰা আনন্দ লাভ কৰে। এই প্ৰকাৰৰ অভিৰোচন উচ্চ-গুণসম্পন্ন শিক্ষণ আৰু সৃজনশীলতাৰ ফলত উৎপত্তি হয়। উদাহৰণ স্বৰূপে, বিজ্ঞান বা গণিতৰ প্ৰকল্প কৰি শিক্ষাৰ্থীয়ে যথেষ্ট আনন্দ লাভ কৰে আৰু তাৰ ফলত সেই বিষয়টোৰ প্ৰতি তেওঁলোকৰ অভিৰোচনৰ সৃষ্টি হয় আৰু এনে কাৰ্যাৱলীসমূহ কৰাৰ প্ৰতি তেওঁলোক আগ্ৰাহান্বিত হয়।

**বাহ্যিক অভিৰোচন ঃ** কোনো এটা কামৰ ফলাফলৰ সৈতে বাহ্যিক অভিৰোচন জড়িত আৰু ই ব্যক্তিৰ বাহ্যিক দিশৰ পৰা সৃষ্টি হয়। উদাহৰণ স্বৰূপে, এজন শিক্ষাৰ্থীয়ে মাক-দেউতাক অসন্তুষ্ট হ'ব বুলি গৃহকাৰ্য কৰে, ই হৈছে বাহ্যিক অভিৰোচন, কাৰণ শিক্ষাৰ্থীজনে মাক-দেউতাকৰ অসন্তুষ্টি এৰাবৰ বাবেহে সেই কাৰ্য কৰে। সাধাৰণতে কিছুমান বাহ্যিক অভিৰোচনৰ উৎস হৈছে টকা-পইচা আৰু গ্ৰেড। মাক-দেউতাক আৰু শিক্ষকসকলে শিশুসকলক তেওঁলোকৰ শিক্ষণ কাৰ্যৰ সফলতাৰ বাবে পুৰস্কাৰ প্ৰদান কৰে। সেইবাবে, উপযুক্ত অভিৰোচনে শিশু শিক্ষাত উৎসাহ যোগায়। আপুনি এগৰাকী শিক্ষক হিচাবে শিশুসকলক অভিৰোচিত কৰাৰ বিভিন্ন কৌশলসমূহ জানিব লাগিব। আপুনি সাৱধানে উপযুক্ত কৌশল সমূহ প্ৰয়োগ কৰি শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষণ কৰিব পাৰিব লাগিব।

**প্ৰ ঃ ২** শিক্ষণৰ ক্ষেত্ৰত আভ্যন্তৰীণ অভিৰোচন বাহ্যিক অভিৰোচনতকৈ কিয় ভাল দুটা উদাহৰণ দিয়ক।

## ১.৩ শিশুৱে কেনেকৈ শিকে

আপোনালোকে প্ৰথম শ্ৰেণীত নামভৰ্তি কৰিব অহা বহুত শিশুকে লগ পায়। যিসকল শিশুৱে প্ৰথম আনুষ্ঠানিক শিক্ষা ল'বলৈ আহে তেওঁলোকক উপযুক্ত শিক্ষণ নীতি আৰু পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হয়। আপোনালোকে ভাবেনে যে এই শিশুসকলে একো শিকি অহা নাই আৰু তেওঁলোকে শিক্ষা আৰম্ভ কৰিবহে আহিছে?

**কাৰ্যাৱলী- ১**

স্কুলত শিক্ষা ল'বলৈ অহা ৬ বছৰীয়া শিশুৰ বাবে এখন কাৰ্য তালিকা প্ৰস্তুত কৰক।

শিঃ বিনয় এগৰাকী আপোনালোকৰ দৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। তেখেতে স্কুলত নতুনকৈ নামভৰ্তি কৰা জুম্পাক নিৰীক্ষণ আৰু তাইৰ সৈতে আদান প্ৰদান কৰিবলৈ তলত উল্লেখ কৰা কাৰ্যাৱলীসমূহ অন্তৰ্ভুক্ত কৰি এখন তালিকা প্ৰস্তুত কৰিছিল, যিবোৰ তাই সম্পাদন কৰিছিল।

- তাই নিজৰ অনুভৱসমূহ সৰল বাক্যৰে প্ৰকাশ কৰিছিল।
- তাই কালৰ উপযুক্ত ক্ৰিয়া কৰ্তাৰ ব্যৱহাৰ কৰিছিল।
- তাই সাধাৰণ প্ৰশ্নসমূহৰ উত্তৰ দিছিল যেনে 'তুমি দুপৰীয়াৰ আহাৰত কি খোৱা?' 'তুমি কি খেল ভাল পোৱা?' 'তোমালোকৰ ঘৰলৈ যোৱাকালি কোন আহিছিল?'
- তাইৰ কৌতূহল হৈছিল আৰু বহুত প্ৰশ্ন কৰিছিল?
- তাই শিক্ষকৰ আদেশ যেন 'উঠা' 'বাঁওফালে ঘূৰা', 'চকু বন্ধ কৰা', 'ব'ৰ্ডৰ কাষলৈ আহা' আদিবোৰ

বুজি পাইছিল আৰু মানি চলিছিল।

- তাই নিজে ভালপোৱা কিছুমান গান গাইছিল।
- তাই শ্ৰেণী আন ল'ৰা-ছোৱালীৰ সৈতে খেলিছিল আৰু খেলৰ নিয়মবোৰ উপযুক্তভাৱে মানি চলিছিল।

মন কৰক যে এই তালিকাখন দীঘল। প্ৰত্যেক সাধাৰণ শিশুই এইবোৰ কাৰ্য কৰিব পাৰে। কিন্তু জুম্পাই ইমানবোৰ কাম শুদ্ধভাৱে আৰু সহজে কৰিবলৈ কেনেকৈ শিকিলে? যদিও তাইৰ আশে পাশে পৰিয়ালৰ বহুতো ব্যক্তি আৰু ওচৰ চুবুৰীয়া আছিল। কিন্তু কোনেও তাইক ইচ্ছাকৃতভাৱে ইমানবোৰ কাম কৰিবলৈ শিকোৱা নাছিল।

শিক্ষণৰ বাবে স্কুলখনেই একমাত্ৰ ঠাই নহয় আৰু এজন ব্যক্তিয়ে নিজৰ চাৰিওফালৰ পৃথিৱীখনৰ পৰা বিস্তৃত অভিজ্ঞতা অৰ্জন কৰে। আমি যদি অভিজ্ঞতাসমূহ আহৰণৰ প্ৰক্ৰিয়াৰ বাস্তৱ পথসমূহ জানো, তেতিয়া আমি এই প্ৰক্ৰিয়াসমূহ শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব পাৰো, ইয়াৰ ফলত শ্ৰেণীৰ শিক্ষণ অধিক অৰ্থবহ, সহজ আৰু বাস্তৱসন্মত হয়। আহকচোন আমি নতুন অভিজ্ঞতা আহৰণৰ মৌলিক প্ৰক্ৰিয়া সমূহ বুজি লওঁ, যিবোৰ সাধাৰণতে শিশু আৰু অন্যসকলে শিক্ষণ আহৰণৰ ক্ষেত্ৰত অনানুষ্ঠানিকভাৱে ব্যৱহাৰ কৰে।

### ১.৩.১ অনুকৰণ

বেছিভাগ মানৱ শিক্ষণেই হৈছে অনুকৰণ কৰা কাৰ্য আৰু এইবোৰেই হৈছে প্ৰধান প্ৰক্ৰিয়া যাৰ দ্বাৰা শিশুৱে নতুন অভিজ্ঞতা আৰু আচৰণ আহৰণ কৰে। অনুকৰণ হৈছে আনৰ নিচিনা কৰা বা আনৰ দৰে কাৰ্য বা আচৰণ দেখুওৱা। কিন্তু আমি জীৱনত লগ পোৱা সকলো ব্যক্তিকে অনুকৰণ নকৰোঁ। আমি খুব সচেতন ভাৱে অনুকৰণ কৰা ব্যক্তি নিৰ্বাচন কৰো বা নহ'লে ব্যক্তিয়ে কিছুমান লোকৰ আচৰণ, কাৰ্য দেখি আকৰ্ষিত হৈ তেনে ব্যক্তিক অনুকৰণ কৰো। তেনেকুৱা ব্যক্তিসকল অনুকৰণৰ আৰ্হি স্বৰূপ হয়। আৰ্হিসদৃশ বক্তিজনৰ সৈতে শিশু বা বক্তিৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে যেনে মাক-দউতাক, ভাই-ভনী, শিক্ষক বা অন প্ৰাপ্তবয়স্ক ব্যক্তি যিসকলৰ কিছুমান অনুকৰণীয় গুণ থাকে। অন্য কিছুমান ব্যক্তি থাকে। অন্য কিছুমান ব্যক্তি থাকে যিসকলৰ সৈতে শিশুৰ প্ৰত্যক্ষ সম্পৰ্ক যে থাকে কিন্তু তেওঁলোকো আৰ্হি ব্যক্তি হ'ব পাৰে। এনেধৰণৰ আৰ্হি ব্যক্তিসকল আমি ইতিহাসৰ পাতত দেখিবলৈ পাওঁ যেনে অশোক, শিৱাজী, আকবৰ, গান্ধী, নেহৰু, মাদাৰ টৰেচা বা শ্ৰীৰাম, শ্ৰীকৃষ্ণ, মীৰাবাঈ, যীশু বা জনপ্ৰিয় কথাছবি, অভিনেতা, খেলুৱৈ, শিল্পী ইত্যাদি। তাৰোপৰি জনপ্ৰিয় কমিকচৰ চৰিত্ৰসমূহো শিশুসকলে অনুকৰণ কৰা দেখা যায়। এনে আৰ্হিসমূহক প্ৰতীকি আৰ্হি স্বৰূপে জনা যায়। প্ৰায়ে পিতৃ-মাতৃ, ভাই-ভনী আৰু শিক্ষকসকলে বিখ্যাত ব্যক্তিসকলক শিশুসকলৰ আগত উদাহৰণ হিচাপে দাঙি ধৰা দেখা যায়। এনে আৰ্হি ব্যক্তিসকল প্ৰকৃত বা প্ৰতীকি যিয়েই নহওক তেওঁলোকক অনুকৰণীয় ব্যক্তি স্বৰূপে জনা যায়।

সকলো অনুকৰণেই শিক্ষণ নহয় যেতিয়ালৈকে অনুকৰণ কৰা কাৰ্যসমূহ শিশুৰ স্থায়ী আচৰণত পৰিণত নহয়। আপুনি যেতিয়া লক্ষ্য কৰে যে এটা শিশুই ইতিবাচকভাৱে আৰু ইচ্ছাকৃতভাৱে কোনো কাৰ্যক অনুকৰণ কৰিছে, তেতিয়া আপুনি কেনেকৈ এই অনুকৰণ কৰা কাৰ্যক শিক্ষণীয় আচৰণলৈ পৰিবৰ্তিত কৰিব? অনুকৰণক শক্তিশালী স্বৰূপে গঢ় দিয়াৰ তিনিটা পথ আছে। এই কেইটা হৈছে — 'প্ৰত্যক্ষভাৱে প্ৰশংসা কৰা বা পুৰস্কৃত কৰা ঃ 'তেওঁ পাৰ্গত ব্যক্তিৰ দৰে সমস্যা সমাধান কৰিছে।' 'তাই লতা মংগেশকাৰৰ দৰে সুৱলাকৈ গীত গাইছে।' বা 'তুমি ইমান ধুনীয়াকৈ খেলিছা?' 'একদম শচীন তেণ্ডুলকাৰ দৰে খেলিছা' এনে ধৰণৰ প্ৰশংসাই শিশুক অনুকৰণ কৰা কাৰ্যৰ পুনৰাবৃত্তিত উৎসাহ যোগায়।

- **সন্তোষজনক পৰিস্থিতি ঃ**

যদি শিশুৱে অনুকৰণৰ দ্বাৰা সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণ শিকে বা ইচ্ছাকৃত লক্ষ্যত উপনীত হয়, তেতিয়া সি/তাই তাক পুনৰাবৃত্তি কৰে। উদাহৰণ স্বৰূপে, যেতিয়া এটা শিশুৱে মাকক অনুকৰণ 'গাখীৰ' শব্দটো কয় আৰু প্ৰতিক্ৰিয়া স্বৰূপে যদি গাখীৰৰ গিলাচ পায় তেতিয়া তাই আকৌ পুনৰাবৃত্তি কৰিব খোজে।

**আনে কৰা কাৰ্যৰ প্ৰতিপুষ্টি ঃ**

মাজে মাজে, শিশুৱে আনক লক্ষ্য আচৰণক অনুকৰণ কৰে, য'ত কোনো প্ৰত্যক্ষ পুৰস্কাৰ বা সন্তুষ্টিৰ পৰিৱেশ নথাকে। ইয়াৰ অন্তৰালত যুক্তি হৈছে যে আনে যিহেতু অনুকৰণ কৰিছে ইয়াৰ নিশ্চয় কিবা উপকাৰিতা বা সন্তুষ্টি থাকিব। কোনোবা বেগুৰ কাপোৰ বা প্ৰসাধন সামগ্ৰী পচন্দ কৰা, কোনো বিশেষ ভংগীমাত কথা কোৱা বা বিকৃত ভংগীত গান গোৱা আদি আনে কৰা কাৰ্যক অনুকৰণ কৰা।

**অনুকৰণৰ প্ৰভাৱ ঃ**

সাধাৰণতে, অনুকৰণ হৈছে আৰ্হি ব্যক্তিৰ আচৰণক পুনৰাবৃত্তি কৰা। প্ৰতিক্ৰিয়াৰ সূক্ষ্ম নিৰীক্ষণৰ দ্বাৰা পোৱা গৈছে যে অনুকৰণীয় আচৰণৰ তিনিটা ভাগ থাকে — আৰ্হিৰ প্ৰভাৱ, অন্তমুৰ্খী বৰ্হিমুখী প্ৰভাৱ আৰু তাৰ পৰা ওলোৱা প্ৰভাৱ।

- এগৰাকী আৰ্হি ব্যক্তিক নিৰীক্ষণ কৰি পোৱানতুন আচৰণক আৰ্হিৰ প্ৰভাৱৰ অন্তৰ্ভুক্ত।
- আমাৰ নিজৰ প্ৰভাৱে আৰ্হি ব্যক্তিৰ ফালৰি কাটি যোৱা আচৰণক সুপ্তভাৱে ৰাখে ফলত আৰ্হি ব্যক্তি দেখি তেনে আচৰণ কৰা বাবে শাস্তি পাবলগীয়া হয়। আমাৰ সৈতে নথকা প্ৰভাৱে ইয়াৰ বিপৰীতমুখী হয়। যেতিয়া এটা শিশুই আৰ্হি ব্যক্তি অনুকৰণ কৰি আগতে শিক্ষা আচৰণৰ নিযুক্ত হয় তেতিয়া এনে আচৰণৰ বাবে সি প্ৰশংসা পায়।
- আৰ্হি ব্যক্তিৰ আচৰণৰ বৈশিষ্ট্যৰ সৈতে বাহ্যিক প্ৰভাৱৰ সম্বন্ধ আছে। গণ আচৰণ হৈছে বাহ্যিক আচৰণৰ উদাহৰণ। এটা ভাল লগা কাৰ্যৰ বাবে এজন ব্যক্তিয়ে যেতিয়া চাপৰি বজায় তেতিয়া সেইসমূহৰ অন্য ব্যক্তিৰ পৰাও তেওঁ তেনে আচৰণ বাঞ্ছা কৰে। মাজে সময়েসমূহৰ ব্যক্তিসকলে নিজে কাম নেপায় কিয় তেওঁলোকে তেনে আচৰণ দেখুৱাইছে।

এগৰাকী শিক্ষক হিচাপে আপুনি শ্ৰেণী/স্কুলত শিশুসকলে ইতিবাচক আৰু সমাজৰ গ্ৰহণযোগ্য আচৰণ অনুকৰণ কৰাৰ ক্ষেত্ৰত কি কৰিব? আপোনালোকে তলত উল্লেখ কৰা দিশবোৰ কৰিব পাৰিব ঃ

- আপোনাৰ নিজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৰ্হি সদৃশ হওক। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ আগত ইতিবাচক আচৰণৰ নিৰ্দেশনা দিয়ক। শিক্ষকৰ ইতিবাচক অনুশীলন যেনে চাফচিকুনতা, সময়ানুবৰ্তিতা, সত্যবাদিতা আৰু স্বচ্ছতাই ছাত্ৰ-ছাত্ৰীৰ অনুকৰণৰ ওপৰত প্ৰভাৱ পেলায়। তাৰোপৰি আপোনালোকে ছাত্ৰ-ছাত্ৰীৰ আগত নিজৰ দুৰ্বলতা কেতিয়াও প্ৰকাশ নকৰিব।
- যেতিয়া বুৰঞ্জী, সমাজ বিজ্ঞান, সাহিত্য আৰু সাধু কথা শিশুসকলক কয়, সদায় গুৰুত্বপূৰ্ণ চৰিত্ৰসমূহৰ ইতিবাচক দিশবোৰ ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰি, যাতে তেওঁলোকে এইবোৰ অনুকৰণ কৰিব পাৰে।

  'যেতিয়া কোনো ছাত্ৰই ইতিবাচক আচৰণ অনুকৰণ কৰে, তেতিয়া তাক চিনাক্ত কৰিবলৈ চেষ্টা কৰিব আৰু সি/তাইক সেই কামটো পুনৰাবৃত্তি কৰিবলৈ মৌখিকভাৱে উৎসাহ যোগাব।

**প্ৰঃ ৩ আপোনাৰ ছাত্ৰ-ছাত্ৰীক আৰ্হি ব্যক্তিৰ অগ্ৰহণযোগ্য আচৰণৰ পৰা বিৰত ৰাখিবলৈ আপুনি কি কৰিব?**

### ১.৩.২ নিৰীক্ষণ

মানৱ শিক্ষণৰ ক্ষেত্ৰত নিৰীক্ষণ হৈছে সাধাৰণ আৰু প্ৰাকৃতিক পদ্ধতি। নিৰীক্ষণীযোগে হোৱা শিক্ষণ হৈছে শিক্ষণৰ এক ভাগ, (ইয়াক আকৌ অনুভৱী শিক্ষণ, সামাজিক শিক্ষণ বা আৰ্হি শিক্ষণ বুলিও জনা যায়) যি আনে দেখুওৱা অভিনৰ আচৰণৰ নিৰীক্ষণ, সংৰক্ষণ আৰু প্ৰতিৰূপৰ কাৰ্যৰ ফলত সংঘটিত হয়। শিশুসকলে মৌলিক কাৰ্য যেনে ভাষা আৰু সংস্কৃতিৰ মানদণ্ড আয়ত্তকৰণৰ ক্ষেত্ৰত নিৰীক্ষণীয় শিক্ষণ হৈছে শিক্ষণৰ প্ৰধান পদ্ধতি। কিন্তু ই অনুকৰণত কৈ কিছু পৃথক, কাৰণ ইয়াত নিৰীক্ষণ আৰ্হি ব্যক্তিৰ আচৰণ আয়ত্ত কৰি তাক প্ৰকাশ কৰে। নিৰীক্ষণীয় শিক্ষণত, আমি কেৱল মাত্ৰ চিন্তা, বিচাৰ আৰু কাৰ্য কৰিবলৈ নিশিকো, ইয়াৰ ুপৰিও সেই কাৰ্যৰ পৰিণাম কি হ'ব তাকো শিকো। সেইবাবে নিৰীক্ষণৰ দ্বাৰা হোৱা শিক্ষণ আৰ্হি ব্যক্তিৰ আচৰণৰ হুবহু নহয় কিন্তু নিৰীক্ষণীয় আচৰণৰ ওপৰত ভিত্তি কৰি আচৰণৰ বিকাশ কৰে। বনডুৰা (Bndura 1977) মতে, তলত উল্লেখ কৰা স্পষ্ট প্ৰক্ৰিয়াসমূহ নিৰীক্ষণীয় শিক্ষণৰ অন্তৰ্গত ঃ

**মনোযোগ প্ৰক্ৰিয়া ঃ** আমি আৰ্হি ব্যক্তিৰ সকলো আচৰণ অনুকৰণ নকৰো... বৰং আমি কিছুমান বিশেষ দিশতহে গুৰুত্ব দিওঁ যিবোৰৰ প্ৰতি আমাৰ মনোযোগ আছে। আমি কিছুমান বৈশিষ্ট্যপূৰ্ণ আচৰণত মনোযোগ দিওঁ, যিবোৰ আমি শিকিব বিচাৰো। উদাহৰণ স্বৰূপে, এটা শিশুই যেতিয়া ভাল হাতৰ আখৰ লিখিব বিচাৰে তেতিয়া তাই শিক্ষকৰ কলম ধৰা পদ্ধতি, আঙুলিৰ লৰচৰ কৰা, ক'ত ডাঙৰ আখৰ লিখিছে আদিবোৰ সূক্ষ্মভাৱে নিৰীক্ষণ কৰে কিন্তু শিক্ষকে কি কাপোৰ পিন্ধিছে বা কেনেকৈ তেখেতে খোজ কাঢ়ে তাৰ ওপৰত গুৰুত্ব নিদিয়ে।

**সংৰক্ষণ প্ৰক্ৰিয়া ঃ** তথ্য সংৰক্ষণ হৈছে শিক্ষণ প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ অংশ। সংৰক্ষণ বিভিন্ন উপাদানৰ দ্বাৰা প্ৰভাৱিত হয়, কিন্তু পাছত তথ্য সংগ্ৰহ কৰি তাৰ ওপৰত কাৰ্য কৰোতে নিৰীক্ষণীয় শিক্ষণৰ প্ৰধান কাৰ্য। আমি নিৰীক্ষণ কৰা বস্তুসমূহ কিছুমান প্ৰক্ৰিয়াৰ দ্বাৰা যেনে চিহ্ন ব্যৱহাৰ কৰি বোধ আৰু আমাৰ নিৰীক্ষণ সংগঠন কৰি মনত ৰাখিব লাগে। সাধাৰণতে আমি সংৰক্ষণৰ বাবে দুটা প্ৰক্ৰিয়া প্ৰয়োগ কৰো- প্ৰথমটো হৈছে আমি দেখা বস্তুটো নিৰীক্ষণ কৰি তাক আমাৰ স্মৃতিত সাঁচি থও আৰু পাছত তাৰ ক্ৰম অনুসাৰে মানসিকভাৱে অনুশীলন কৰো। উদাহৰণ স্বৰূপে, যদি কোনোবাই জাহিৰ খানৰ নিচিনাকৈ ক্ৰিকেটৰ বল দিব বিাৰে, তেতিয়া তেওঁ মানসিকভাৱে ক্ৰম অনুসাৰে তাক অনুশীলন কৰিব লাগিব— জাহিৰ খানক প্ৰত্যক্ষ ভাবে নিৰীক্ষণ কৰি বা টিভিত তেওঁৰ খেলৰ প্ৰদৰ্শন চাক্ষুকভাৱে নিৰীক্ষণ কৰি। বনডুৰা (Bndura 1977) কয় যে আৰ্হি ব্যক্তিৰ পৰা শিকাৰ ভাল পথ হৈছে নিৰীক্ষণীয় আচৰণ সংজ্ঞানাত্মকভাৱে সংগঠন আৰু অনুশীলন কৰা (উপযুক্ত মানসিক চিন্তাৰে) আৰু তাৰ ওপৰত কাৰ্য কৰা।

**সঞ্চালন পুনৰ গঠন প্ৰক্ৰিয়া ঃ**

আমি চাক্ষুস প্ৰতিৰূপৰ নিৰীক্ষণীয় আচৰণ অনুশীলনৰ দ্বাৰা মনত ৰখাৰ পাছত, সেই আচৰণক আমি কাৰ্যলৈ পৰিবৰ্তন কৰিব লাগিব। ইয়াৰ বাবে আমাক দুটা বস্তুৰ প্ৰয়োজন। প্ৰথমতে, সি/তাই যি কাৰ্য কৰিব তাৰ বাবে সি /তাইৰ মৌলিক সম্বল থাকিব লাগিব। যদি কোনোবাই তেণ্ডুলকাৰৰ দৰে বেটচমেন হ'ব বিচাৰে, তেতিয়া ইয়াৰ বাবে থাকিবলগীয়া মৌলিক সম্বল হৈছে শাৰীৰিক সমৰ্থতা। যদি এজন ব্যক্তি অতি দুৰ্বল হয়, তেতিয়া যিমানেই তেওঁ তেণ্ডুলকাৰৰ বেটিং কাৰ্য অনুশীলন নকৰক কিয়, তেওঁৰ বাবে এনে কাৰ্য যথেষ্ট কষ্টকৰ হ'ব।

নিৰীক্ষণীয় আচৰণৰ পৰিবৰ্তনৰ দ্বিতীয় দিশটো হৈছে কোনো এটা কাৰ্যৰ প্ৰকৃতভাৱে ক্ৰম অনুসৰি অনুশীলন কৰা। প্ৰকৃত চাক্ষুক প্ৰতিৰূপ আৰু মানসিক অনুশীলনে নিৰীক্ষকক কোনো এটা কাৰ্য স্বতঃস্ফূৰ্তভাৱে

কৰাত সহায় নকৰে। উপযুক্তভাৱে কাৰ্য সম্পাদন কৰিবলৈ, বাৰে বাৰে কৰা অনুশীলন আৰু তাৰ পৰা একেৰাহে পোৱা প্ৰতিপুষ্টিক সংযোগ কৰা আৰু প্ৰত্যেক কাৰ্যৰ অন্তত তাৰ ভুলৰ শুদ্ধকৰণ কৰাটো প্ৰয়োজনীয়।

**অভিৰুচিমূলক প্ৰক্ৰিয়া ঃ** আপোনালোকে এনে কিছুমান শিশু লগ পাইছে নিশ্চয় যিসকলে নিৰীক্ষণীয় শিক্ষণৰ পৰা শিকে আৰু সেইবোৰ হুবহুভাৱে বৰ্ণনা আৰু সম্পাদন কৰিব পাৰে। কিন্তু প্ৰায় তেওঁলোকে প্ৰয়োজনৰ সময়ত তাক কৰা দেখা নাযায়। তেনে ক্ষেত্ৰত, কাৰ্য কৰিবলৈ তেওঁলোকৰ অভিৰোচনৰ অভাৱ। সেইবাবে শিশুসকলক কাৰ্য কৰিবলৈ আত্ম অভিৰোচনৰ প্ৰয়োজন।

চমুকৈ আমি ক'ব পাৰো যে কোনো বস্তুৰ আৰ্হিৰে নিৰীক্ষণীয় শিক্ষণৰ আৰম্ভণি হয় আৰু তলত উল্লেক কৰা প্ৰক্ৰিয়াসমূহৰ দ্বাৰা মিল থকা কাৰ্যলৈ নিৰীক্ষকে পৰিবৰ্তন কৰিব পাৰে।

(ক) নিৰীক্ষকে মনোযোগ দিব লাগিব।

(খ) নিৰীক্ষকে নিৰীক্ষণীয় আচৰণক সংজ্ঞানাত্মকভাৱে প্ৰতিনিধিত্ব কৰিব লাগে, ইয়াক সংৰক্ষণ আৰু অনুশীলন কৰিব লাগে,

(গ) নিৰীক্ষকে নিৰীক্ষণীয় আচৰণ সংশোধন আৰু পুনৰ গঠন কৰে, যদি সি/তাইৰ প্ৰয়োজনীয় সামৰ্থ্য থাকে, আৰু

(ঘ) নিৰীক্ষকে নিৰীক্ষণীয় আচৰণ উপযুক্ত অভিৰোচিত চৰ্তৰ দ্বাৰা সম্পাদন কৰিব লাগে।

**প্ৰ ঃ ৪** আপুনি এগৰাকী শিক্ষক হিচাবে নিৰীক্ষণীয় শিক্ষণত আপোনাৰ ছাত্ৰ-ছাত্ৰী কেনেদৰে সহায় কৰিব উল্লেখ কৰক।

**প্ৰ ঃ ৫** নিৰীক্ষণীয় শিক্ষণৰ বাবে প্ৰয়োজন হোৱা অভিৰোচন আয়ত্তকৰণৰ দুটা পথ আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰক।

### ১.৩.৩ প্ৰচেষ্টা আৰু ভুল

আহকচোন আমি শিশুৱে চাইকেল চলোৱা চাই তাৰ শিক্ষণ নিৰীক্ষণ কৰো। চাইকেল চলোৱাৰ কুশলতা এবাৰ প্ৰচেষ্টাতে আয়ত্ত কৰিব নোৱাৰি। শিশু এটাই বহু প্ৰচেষ্টাৰ ফলত এই কৌশলৰ নিপুণতা অৰ্জন কৰে। প্ৰথম স্তৰত, সি/তাই ভুল কৰে আৰু ক্ৰমান্বয়ে ভুলৰ পৰিমাণ কমি আহে। এটা শিশুৱে এক বিশেষ কাম বা সমস্যাৰ বাবে বহুত প্ৰচেষ্টা কৰে আৰু অৱশেষত সি/তাই সফলতা লাভ কৰে।  যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে কঠিন সমস্যাৰ সন্মুখীন হয়, যাৰ বাবে সি/তাই ওচৰত পূৰ্ব প্ৰস্তুত সমাধান নেথাকে, তেতিয়া সি/তাই বিভিন্ন এটা সন্তোষজনক প্ৰতিক্ৰিয়া নোপোৱালৈকে বিভিন্ন ধৰণৰ কাৰ্যত লিপ্ত হয়। অন্য ভাষাত ক'বলৈ হ'লে, প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ যোগেদি সমস্যাৰ সমাধান হয়।

শিক্ষণৰ প্ৰচেষ্টা আৰু ভুল পদ্ধতি ১৯১৩ চনত আমেৰিকাৰ মনোবিদ ই এল থৰ্ণডাইকে (E. L. Thorndly) বিকাশ কৰি তুলিছিল। তেওঁ বহুতো জীৱ জন্তু বিশেষকৈ মেকুৰীৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাইছিল। ইয়াৰ ভিতৰত তেওঁৰ বিখ্যাত পৰীক্ষাটো ডাঙি ধৰা হ'ল।

এটা ভোকাতুৰ মেকুৰী এটা বাকচত ৰাখি বাহিৰত মেকুৰীটোৱে দেখাকৈ এটুকুৰা ভজা মাছ ৰখা হ'ল। বাকচটো বিশেষভাৱে নিৰ্মিত আছিল আৰু এটা নিৰ্দিষ্ট চুইচত হেঁচা দিলেহে ইয়াৰ দুৱাৰখন খোল খায়। প্ৰথম অৱস্থাত মেকুৰীটোৱে বিভিন্ন ধৰণে অ'ত-ত'ত থপৰিয়াই, জপিয়াই বাহিৰ ওলাবলৈ চেষ্টা কৰিছিল। পৰৱৰ্তী সময়ত তাৰ ক্ৰমান্বয়ে তাৰ প্ৰচেষ্টাৰ সংখ্যা কমি আহিছিল আৰু অৱশেষত মেকুৰীটোৱে ভুল নকৰাকৈ নিৰ্দিষ্ট চুইচত হাতেৰে হেঁচি বাহিৰ ওলাবলৈ সক্ষম হৈছিল। এই পৰীক্ষাটোৰ পৰা থৰ্নডাইকে শিক্ষণৰ তিনিটা নীতি বিকাশ কৰিছিল।

- **অনুশীলন নীতি** (Law of exercise) ঃ কোনো কাৰ্যৰ পুনৰাবৃত্তিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে তাক দীৰ্ঘদিনৰ বাবে মনত সংৰক্ষণ কৰি ৰাখিব পাৰে। শিক্ষণৰ এই নীতিটোক পুনৰ দুটা ভাগত ভগোৱা হৈছে ব্যৱহাৰ নীতি (Law of use) আৰু অব্যৱহাৰ নীতি (Law of disuse) । প্ৰথম নীতিটোত উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ সংযোগ পুনৰাবৃত্তিয়ে সবল কৰি তোলে আৰু দ্বিতীয়টোত, প্ৰথমটোৰ ঠিক বিপৰীত, যেতিয়া উদ্দীপক আৰু প্ৰক্ৰিয়াৰে সংযোগ সঘনে পুনৰাবৃত্তি নহয়, তেতিয়া ই দুৰ্বল হয়।

**ফলাফল নীতি (Law of effect)** ঃ কোনো কাৰ্যই যেতিয়া সফলতা আনি দিয়ে, তেতিয়া সেই কাৰ্যটো পুনৰাবৃত্তি কৰাৰ বাবে মনত উৎসাহ জন্মে। ইয়াৰ বিপৰীতে যেতিয়া কাৰ্যৰ ফলাফলে অসন্তুষ্টি দিয়ে তেতিয়া তেনে কাৰ্যৰ পৰা বিৰত থকা হয়। অন্য ভাষাত ক'বলৈ হ'লে, যেতিয়া আচৰণৰ পৰিণাম সন্তোষজনক হয়, তেতিয়া তেনে আচৰণৰ শিক্ষণ সহজে হয়। এই ক্ষেত্ৰত আমি শাস্তিত আৰু পুৰস্কাৰৰ কথা ক'ব পাৰো। পুৰস্কাৰ বা প্ৰসংগৰ দ্বাৰা শিক্ষণ শক্তিশালী হয়, আনহাতে শাস্তিৰ দ্বাৰা তাৰ বিপৰীতহে হয়।

**প্ৰস্তুতি নীতি (Law of Reediness)** ঃ উপযুক্ত শিক্ষণ তেতিয়াহে সম্ভৱ যেতিয়া ছাত্ৰ-ছাত্ৰীসকল শিক্ষাগ্ৰহণৰ বাবে প্ৰস্তুত থাকে। এই নীতিৰ শৈক্ষিক তাৎপৰ্য স্পষ্ট। যেতিয়া এটা শিশু শিক্ষা গ্ৰহণৰ বাবে প্ৰস্তুত থাকে সেই সময়ত তাক শিক্ষা দিলে সেই শিক্ষণ যথেষ্ট ফলপ্ৰসূ হয়। আনহাতে শিক্ষা গ্ৰহণৰ বাবে প্ৰস্তুতিৰ বিষয়ে আৰু শিশুৰ প্ৰস্তুতিৰ বিষয়ে শিক্ষকৰ বোধ সম্পৰ্কে আলোচনা কৰিছো।

হাৰ্নডাইকৰ এই তিনিটা নীতিৰ শ্ৰেণীকোঠাত যথেষ্ট তাৎপৰ্য আছে। যদিও ব্যৱহাৰিক দিশত বহুতো মনোবিদে ইয়াৰ সীমাবদ্ধতাসমূহ দাঙি ধৰিছে।

**প্ৰ ঃ ৬ এগৰাকী শিক্ষক হিচাবে আপুনি প্ৰচেষ্টা আৰু ভুল শিক্ষণৰ ক্ষেত্ৰত লাভ কৰা অভিজ্ঞতাৰ উদাহৰণ দিয়ক।**

### ১.৩.৪ অংশগ্ৰহণ/কৰা

অৰ্থপূৰ্ণ শিক্ষণৰ ক্ষেত্ৰত এক উপযুক্ত কৌশল হৈছে হাতে কামে কৰাৰ দ্বাৰা শিক্ষণ বা কাৰ্যত অংশগ্ৰহণ। বাস্তৱ জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত হাতে কামে কৰা কাৰ্যই প্ৰকৃত অভিজ্ঞতা প্ৰদান কৰে। ই হৈছে চিন্তা আৰু যুক্তিক সংযোগ কৰি কোনো এটা সমস্যা সমাধানৰ বাস্তৱ পথ নিৰ্ণয়। ই নিঃসন্দেহে আত্মশিক্ষণ আৰু আত্ম মূল্যায়নৰ দ্বাৰা শিক্ষণৰ প্ৰকৃত লক্ষ্যত উপনীত কৰায়। কিন্তু শ্ৰেণীকোঠাৰ পৰিবেশত সদায় ব্যক্তিগত কাৰ্য কৰাটো সম্ভৱ নহয়। সেইবাবে, ছাত্ৰ-ছাত্ৰী সৰু সৰু দলীয় কাৰ্যত অংশগ্ৰহণৰ বাবে উৎসাহ দিলে তেনে শিক্ষণ অধিক ফলপ্ৰসূ হয়। গৱেষণাৰ পৰা পোৱা গৈছে যে যিমানেই শিক্ষাৰ্থীসকলে সৰু দলীয় কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব, তেওঁলোকে সিমানেই ভাল ফল দেখুৱাব। সেইবাবে শ্ৰেণী পৰিৱেশত দলীয় কাৰ্যত অংশগ্ৰহণ কৰাৰ সুবিধা ৰাখিব লাগে, ছাত্ৰ-ছাত্ৰীৰ পৰা অধিক অংশগ্ৰহণ আশা কৰিব লাগে। শিক্ষণ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অংশগ্ৰহণৰ উপকাৰিতা কি?
অৱশ্যে ই সক্ৰিয় কৰে ঃ

- কোনো পৰিৱেশৰ পৰিপ্ৰেক্ষিতত সক্ৰিয় আৰু অৰ্থপূৰ্ণ শিক্ষণ
- ইজন-সিজনৰ মাজত অভিজ্ঞতাৰ ভাগ-বতৰা;
- কোনো কাৰ্যৰ সফল পৰিসমাপ্তিৰ বাবে সম্পদৰ যৌথ সংগঠন;
- বিচৰা, যুক্তি দিয়া আৰু সমস্যা সমাধানৰ বাবে নতুন উদ্ভাৱন আৰু বিকল্প পথ উলিওৱা।

- কিছুমান সামাজিক গণ যেনে সহায় কৰা, ভাগ বতৰা কৰা, ভাতৃত্ববোধ আৰু দায়িত্ব গ্ৰহণ কৰা আদিৰ বিকাশ কৰা;
- ব্যক্তিগত গুণাৱলী যেনে আত্ম-বিশ্বাস, আত্মসন্মান প্ৰশ্নসোধাৰ সাহস বৃদ্ধি কৰা।

দলীয় কাৰ্যত অংশগ্ৰহণৰ শিক্ষণৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ আছে। এইটো দেখা যায় যে প্ৰকৃত পৰিৱেশত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে দলীয় কাৰ্যত সমান হাৰত অংশগ্ৰহণ কৰিব নোৱাৰে। শ্ৰেণীৰ কাৰ্যাৱলীত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ স্তৰ বৃদ্ধি কৰিবলৈ আপুনি কি কৰিব পাৰিব? এই ক্ষেত্ৰত আপুনি তলত উল্লেক কৰা দিশসমূহ বিবেচনা কৰিব লাগিব।

- প্ৰকৃততে অংশগ্ৰহণৰ লক্ষ্য এইটো নহয় যে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে একে ধৰণে বা সমান হাৰত অংশগ্ৰহণ কৰিব। তাৰ পৰিবৰ্তে এটা পৰিৱেশ সৃষ্টি কৰা উচিত য'ত সকলো অংশগ্ৰহণকাৰীয়ে শিক্ষণৰ বাবে সুবিধা পায় আৰু য'ত শ্ৰেণীকোঠাত গভীৰ চিন্তা আৰু আলোচনাৰ বিষয়ে বিভিন্ন দিশৰ পৰা গভীৰভাৱে সন্ধান কৰা হয়।
- বিভিন্ন প্ৰকাৰৰ ছাত্ৰ-ছাত্ৰী থাকে। উদাহৰণ স্বৰূপে, কিছুমান ছাত্ৰ-ছাত্ৰী শ্ৰেণীত প্ৰায়ে কথা নকয়, তেওঁলোক হৈছে চিন্তাশীল ছাত্ৰ-ছাত্ৰী, যিসকলে কতা কোৱাৰ আগতে মনত ধাৰণা আৰু চিন্তাৰ বিকাশ কৰি লয়; অন্য কিছুমান লাজকুৰীয়া ছাত্ৰ-ছাত্ৰী আছে যিসকলে দলৰ আগত কথা ক'বলৈ অসুবিধা পায়। (অন্ততঃ প্ৰথম অৱস্থাত) অন্য কিছুমান স্বেচ্ছাসেৱী সক্ৰিয় ছাত্ৰ-ছাত্ৰী আছে,যিসকলে কথা কোৱাৰ সময়ত চিন্তা কৰি কথা কয়। সেইবাবে কিছুমান চৰ্তৰ সৃষ্টি কৰিব লাগে যাৰ দ্বাৰা শিক্ষণ অগ্ৰাধিকাৰ আৰু ব্যক্তিত্বৰ অৰিহণা আগবঢ়াব পাৰে। ইয়াৰ কাৰণে আপুনি শান্ত ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিবলৈ কিছুমান অতিৰিক্ত পদক্ষেপ ল'ব লাগিব যাতে তেওঁলোকে কথা কয় আৰু কথা কোৱা ছাত্ৰ-ছাত্ৰী মাজে সময়ে হে কথা সুধিব লাগিব।
- দলীয় আলোচনাৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ আৰু সুবিধা দিব লাগিব।

— ছাত্ৰ-ছাত্ৰীসকলে পৰস্পৰ আদান-প্ৰদানৰ বাবে সঠিক পথ দেখুৱাব লাগিব।

— ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিবলৈ কিছুমান নীতি পৰিহাৰ কৰিব লাগিব।

— ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে দলীয় কাৰ্যৰ সুবিধা দিব লাগিব।

- সহযোগী দলীয় কাৰ্যই ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণত উৎসাহ যোগায়।

  উপযুক্ত দলীয় আলোচনাৰ প্ৰধান বৈশিষ্ট্যই ছাত্ৰ-ছাত্ৰীক

- প্ৰশ্নসোধা
- সক্ৰিয়ভাৱে আৰু একেৰাহে সমনীয়াৰ সহায় লোৱা,
- সঠিক কাৰ্যৰ বাবে সহায় আগবঢ়োৱা আৰু আশা কৰা হয় যে সহায় গ্ৰহণ কৰাসকলে যাতে বুজি পায়।

**প্ৰশ্ন ঃ ৭ এগৰাকী সক্ৰিয় ছাত্ৰৰ দুটা মৌলিক গুণ উল্লেখ কৰক।**

**১.৩.৫ আৱিষ্কাৰ/অনুসন্ধান**

আৱিষ্কাৰ শিক্ষণ হৈছে অনুসন্ধান ভিত্তিক নিৰ্দেশনাৰ এক পদ্ধতি। ১৯৬০ৰ দশক জাৰোমি বুনাৰে

(Terome Bruner) য়ে ইয়াক বিকাশ কৰিছিল। তেওঁ যুক্তি দিছিল যে আৱিষ্কাৰৰ বাবে অনুশীলনে এজন ব্যক্তিক তথ্য সংগ্ৰহৰ বাবে এনে পথ শিকায় যাৰ দ্বাৰা সমস্যা সমাধানৰ বাবে তথ্য প্ৰস্তুত হৈ উঠে (Practice in Discovery for oneself teacher one to acquire information in a way that makes that information more readily ..in problemsolving') অনুসধান শিক্ষণ সমস্যা সমাধানৰ পৰিৱেশত সৃষ্টি হয় য'ত ছাত্ৰ-ছাত্ৰীয়ে তেওঁ/তাইৰ পূৰ্বজ্ঞান আৰু নিজা অভিজ্ঞতা প্ৰয়োগ কৰে। ই হৈছে এটা নিৰ্দেশনাৰ পদ্ধতি যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে কোনো বস্তু আৰু পৰীক্ষা সম্পাদনৰ দ্বাৰা পৰিৱেশৰ সৈতে আদান-প্ৰদান কৰে। এই অভিগমনত ছাত্ৰ-ছাত্ৰীসকলে নীতি-পদ্ধতি উলিওৱাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু এনেদৰে তেওঁলোকে অন্তদৰ্শনৰ ব্যৱহাৰেৰে মানসিক বিকাশ কৰে আৰু অনুষ্ঠান তথ্য লৈ সম্বন্ধ আৰু সাংগঠনিক গাঁথনি উলিয়াই। এই পদ্ধতিটো তলত উল্লেখ কৰা নীতিৰ ওপৰত প্ৰতিষ্ঠিত ঃ

- কাৰ্যৰ নীতি
- যুক্তি চিন্তাৰ নীতি
- জনাৰ পৰা নজনালৈ অগ্ৰসৰ

- উদ্দেশ্যমূলক অভিজ্ঞতাৰ নীতি
- বিকল্প বিচৰাৰ নীতি

অনুসন্ধানৰ যোগেদি শিক্ষণে শিক্ষকৰ সমস্যা (সমস্যাসমূহ) অন্তৰ্ভুক্ত কৰে আৰু সহায় আগবঢ়ায়, কিন্তু ছাত্ৰ-ছাত্ৰীৰ বাবে সমূহীয়া আৱিষ্কাৰ সম্ভৱ কৰি তোলে। উদাহৰণ স্বৰূপে, সমগ্ৰ শ্ৰেণীত অনুসন্ধানমূলক পৰিবেশত জ্ঞিানীৰ ভূমিকা লৈ স্কুলৰ বাগিচাৰ ফুলৰ আকৃতি আৰু গুণবৃদ্ধি কৰে। তেওঁলোকে স্থানীয় উদোগ শস্য কৰা লোককলক ফুলৰ আকৃতি আৰু গুণ বৃদ্ধিৰ কাৰণে শিক্ষা দিবলৈ আগবাঢ়ি যায়। কিছুমানে বিভিন্ন উৎসৰ পৰা ফুলৰ খেতিৰ পুস্তিকা সংগ্ৰহ কৰে। তেওঁলোকে জৈৱিক আৰু অজৈৱিক সাৰৰ বিষয়ে তথ্য সংগ্ৰহ কৰে আৰু দোকানলৈ গৈ প্ৰয়োজনীয় সাৰ উপযুক্ত পৰিমাণে আনে। তাৰ পাছত তেওঁলোকে বিভিন্ন জৈৱিক আৰু অজৈৱিক সাৰৰ যৌগিক মিশ্ৰণ বাচি লোৱা ফুলৰ গছবোৰত প্ৰয়োগ কৰে আৰু ইয়াৰ ফাফল অধ্যয়ন কৰে পিছত তেওঁলোকে দেখা যায় পায় যে সাৰৰ এনে যৌগিক সংমিশ্ৰণ প্ৰয়োগত ফুলৰ আকৃতি ডাঙৰ হৈছে, পৰৱৰ্তী সময়ত আন গছত প্ৰয়োগ কৰি তেওঁলোকে ইতিবাচক ফল পায়। এই উদাহৰণটোত শিক্ষণৰ আৱিষ্কাৰ দলীয়ভাৱে হৈছে। শিক্ষণৰ আৱিষ্কাৰ ব্যক্তিগতভাৱেও হ'ব পাৰে।

আপুনি কিদৰে শিক্ষণৰ আৱিষ্কাৰত উৎসাহ যোগাব?

- আপুনি কেতিয়াও ছাত্ৰ-ছাত্ৰীক তেওঁলোকে কি জনা উচিত সেই বিষয়ে নক'ব। সদায় তেওঁলোক সন্মুখত এটা সমস্যা স্থিৰ কৰি দিব বা কোনো এটা বিষয় তেওঁলোকক দি সমাধানৰ বাবে উৎসাহিত কৰিব। যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীক সমস্যা আৰু তাৰ সমাধানৰ পদ্ধতি দেখুৱাই দিয়ে, তেতিয়া আপুনি তেওঁলোকক নিজে কাম কৰি তাৰ ফলাফল উলিওৱাৰ উত্তেজনাৰ পৰা বঞ্চিত কৰা হয় আৰু ছাত্ৰ-ছাত্ৰী হিচাবে তেওঁলোকৰ ক্ষমতা বৃদ্ধিৰ সুবিধা হ্ৰাস কৰা হয়।
- অনুসন্ধানৰ বাবে আপোনাৰ শিক্ষা প্ৰদানৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক এনেবোৰ কাৰ্যাৱলীত জড়িত কৰি দিব লাগে যিবোৰে সংজ্ঞা, প্ৰশ্নসোধা, নিৰীক্ষণ, ভাগ কৰা, সাধাৰণীকৰণ, মূল্যায়ন আৰু প্ৰয়োগ আদি ক্ষেত্ৰত তেওঁলোকক আগবঢ়াই নিব পাৰে। এনে প্ৰক্ৰিয়াসমূহৰ ফলাপল হৈছে 'জ্ঞান।'
- ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়াৰ পৰা আপোনাৰ পাঠৰ বিকাশ কৰিব লাগে, আগতে স্থিৰ কৰি থোৱা যুক্তিক সংগঠনৰ দ্বাৰা নহয়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়াৰ ওপৰত ভিত্তি কৰি আপোনাৰ পাঠ পৰিকল্পনাৰ সূচী স্থিৰ কৰিব লাগে। সেইবাবে ভুল উত্তৰ, মিছা আৰম্ভণি সামঞ্জস্যহীন নিৰ্দেশনাৰ পৰা বিৰক্ত হ'ব নেলাগে।
- ছাত্ৰ-ছাত্ৰীৰ সৈতে আদান-প্ৰদানৰ ক্ষেত্ৰত আপোনাৰ মৌলিক দিশটো হ'ব লাগে প্ৰশ্ন সোধা দুয়ো প্ৰকাৰৰ প্ৰশ্ন যেনে একেমুখী (একক/স্থিৰ শুদ্ধ উত্তৰ) বা বিভেদমুখী (বহুমুখী শুদ্ধ উত্তৰ)। পিছৰ প্ৰকাৰৰ প্ৰশ্নক বেছি অগ্ৰাধিকাৰ দিব লাগে কাৰণ ই অনুসন্ধানত উৎসাহ যোগায় আৰু যুৰমনক অসন্দেহমূলক সম্ভাৱনীয়তাৰ লগত জড়িত কৰাৰ মাধ্যম হিচাপে কাৰ্য কৰে।
- আপুনি ছাত্ৰ-ছাত্ৰীৰ বহুমুখী প্ৰতিক্ৰিয়াৰ উৎসাহিত কৰিব লাগে। আপুনি কাৰণ নুসুধি, কাৰণসমূহ সুধিব, অভিপ্ৰায় নুসুধি, অভিপ্ৰায়সমূহ সুধিব আৰু কেতিয়াও অৰ্থ নুসুধি অৰ্থসমূহহে সুধিব। যেতিয়া আপুনি একক আৰু নিৰ্দিষ্ট উত্তৰৰ বাবে জোৰ দিব তেনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে আন সম্ভাব্য দিশবোৰৰ চিন্তা কৰাৰ পৰা বিৰত থাকিব আৰু তেওঁলোকৰ মনে অনুসন্ধান বাদ দিব।
- আপুনি সদায় ছাত্ৰ-শিক্ষকৰ আদান-প্ৰদানতকৈ ছাত্ৰসকলৰ নিজৰ মাজৰ আদান-প্ৰদানক বেছি উৎসাহিত কৰিব। আমাৰ প্ৰচলিত শ্ৰেণীকক্ষৰ আদান-প্ৰদানত ছাত্ৰই সদায় শুদ্ধ উত্তৰৰ বাবে শিক্ষক লৈ ৰৈ থাকে।

যেতিয়া তেওঁলোকে শিক্ষকৰ পৰা সঠিক উত্তৰ পায় তেতিয়া তেওঁলোকে আৰু অধিক চিন্তা কৰাটো বন্ধ কৰি দিয়ে আৰু এনেদৰে তেওঁলোকৰ কৌতূহল বন্ধ হৈ যায়।

- আপুনি আপোনাৰ পাঠ পৰিকল্পনাৰ ছাত্ৰ-ছাত্ৰীৰ কৌতূহলী আচৰণৰ পৰিৱৰ্তন চাই নিৰ্ণয় কৰিব। যেনে সঘনে প্ৰশ্নসোধাৰ প্ৰৱণতা, প্ৰশ্নৰ সামঞ্জস্য বৃদ্ধি, ছাত্ৰ-ছাত্ৰীৰ মতামতৰ প্ৰত্যাহ্বান সংশোধনৰ ইচ্ছা বা তেওঁৰ স্থানৰ পৰিৱৰ্তন তথৰ নিশচয়তা, বহুমুখী উত্তৰৰ গ্ৰহণ বৃদ্ধি, নিৰীক্ষণৰ কৌশল বৃদ্ধি, ভাগ কৰা, সাধাৰণীকৰণ ইত্যাদি, তেওঁলোকৰ সাধাৰণীকৰণৰ সমৰ্থতা, উপযুক্ত পৰিৱেশৰ দৃষ্টিভংগী আৰু তথ্য দিয়া।
- ছাত্ৰ-ছাত্ৰীয়ে পোৱা ফলৰ দ্বাৰা আপুনি কেতিয়াও পাঠৰ সংক্ষিপ্তকাৰ কৰি শেষ নকৰিব। যিকোনো সামৰণিৰ ভৱিষ্যৎ চিন্তাৰ ওপৰত প্ৰভাৱ পৰে। আপুনি বিষয়টো শেষ নকৰাকৈ ফলাফলৰ সংক্ষিপ্তকাৰ কৰিব পাৰে। আপুনি এনেধৰণ ক'ব পাৰে— 'আমি এই স্থানত উপনীত হৈছো যাৰ আৰু সম্ভাব্য সম্প্ৰসাণ আছে যিটো তোমালোকে পিছৰ শ্ৰেণীত বিচাৰিব পাৰিবা।'
- আপোনালোকে ছাত্ৰ-ছাত্ৰীৰ আৱিষ্কাৰ/কৌতূহলী মনক আগুৱাই নিব বিচৰাটো আপোনালোকৰ ওপৰত নিৰ্ভৰশীল। যদি আপোনালোকে এইটো কৰিব বিচাৰে তেন্তে আপোনালোকে নিজৰ কাৰ্য আৰু বিশ্বাসৰ দ্বাৰা নিৰ্দেশনা দিব। এই ক্ষেত্ৰত আপোনালোকেও কৌতূহলী মনেৰে ছাত্ৰসকলৰ সৈতে কাম কৰিব লাগিব।

**প্ৰঃ ৪ আৱিষ্কাৰ শিক্ষণৰ নীতিসমূহ কি কি?**

**১.৩.৬ সমস্যা সমাধান**

আমি এটা পৰিৱেশ ধৰি লওঁ আহক—

**পৰিৱেশ ৫ ঃ** গণিতৰ শিক্ষক মিচ গীতাই প্ৰাথমিক শ্ৰেণীত ত্ৰিভূজৰ ধাৰণা শিকাইছিল। তেখেতে ছাত্ৰ-ছাত্ৰীক বিভিন্ন প্ৰকাৰৰ ত্ৰিভূজৰ বিষয়ে সুধিছিল। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ উত্তৰ দিব পৰা নাছিল আৰু এইটো তেওঁলোকৰ বাবে সমস্যা হৈ পৰিছিল। তেওঁলোকে সমস্যাটোৰ কথা চিন্তা কৰিছিল আৰু কোণ আৰু বাহুৰ বিষয়ে গুৰুত্ব দি ত্ৰিভূজ অংকন কৰিছিল। তেওঁলোকে তলত দিয়া ধৰণে অনুমান কৰিছিল।

- বাহুবোৰ সমান নহয়।
- দুটা বাহু সমান
- তিনিটা বাহু সমান
- এটা কোণৰ জোখ ৯০° আৰু আন দুটা কোণ লগ লাগি ৯০° হয়।
- প্ৰত্যেকটো কোণৰ জোখ ৬০°

শিক্ষাৰ্থীৰ প্ৰত্যেক অনুমানৰ ভিত্তিত কোণসমূহক বেলেগ বেলেগকৈ নামাকৰণ কৰা হয়। এনেদৰে ছাত্ৰ-ছাত্ৰীসকলে সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিল।

ওপৰৰ পৰিৱেশটোৰ পৰা গম পোৱা যায় যে পূৰ্বজ্ঞান প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰীয়ে সমস্যা সমাধান কৰিব পাৰে। সমস্যাসমূহ সৃষ্টি কৰোঁতে ছাত্ৰ-ছাত্ৰীৰ বোধ আৰু অভিজ্ঞতাৰ ভিত্তিত শুদ্ধ শব্দ ব্যৱহাৰ কৰিব

লাগে। ছাত্ৰ-ছাত্ৰীয়ে সংশ্লেষণ আৰু বিশ্লেষণ কৰি শিক্ষকৰ সহায়ত সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰে।

এনেদৰে আমি ক'ব পাৰো যে সমস্যা সমাধানৰ বৈশিষ্ট্যসমূহ হৈছে এনেধৰণৰ ঃ

- এটা লক্ষ্যত উপনীত হ'ব লাগিব।
- লক্ষ্যত উপনীত হ'ব পাৰে কঠিনতা। প্ৰয়োজনীতা অনুভৱ কৰিব লাগিব।
- সচেতন, পৰিকল্পিত আৰু উদ্দেশ্যমূলক কাৰ্যৰ দ্বাৰা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।
- লক্ষ্যত উপনীত হ'বলৈ বা সমস্যা সমাধানৰ পৰা সন্তুষ্টি বৰ্তমানেও পাব লাগে।

**সমস্যা সমাধানৰ স্তৰবোৰ হৈছে ঃ**

- সমস্যাৰ চিনাক্তকৰণ আৰু সংজ্ঞা প্ৰদান ঃ

প্ৰয়োজনৰ অনুভৱ, ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলী আৰু পৰিবেশীয় কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি সমস্যা হাতত লোৱা হয়। ছাত্ৰ-ছাত্ৰীৰ সমস্যা চিনাক্ত কৰি স্পষ্টভাৱে সমস্যাৰ সংজ্ঞা দিব লাগিব।

- সমস্যাৰ বিশ্লেষণ - সমস্যা উপযুক্তভাৱে বিশ্লেষণ কৰিব লাগিব।
- বিভিন্ন ধাৰণাৰ মাজৰ সম্পৰ্ক স্পষ্টীকৰণ কৰা।
- পূৰ্ব অনুমান গঠন ঃ সমস্যাৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি সম্ভাব্য সমাধান দিয়া।
- পূৰ্ব অনুমান পৰীক্ষা ঃ সমস্যা সমাধানৰ বাবে প্ৰত্যেকটো পূৰ্ব অনুমান পৰীক্ষা কৰিব লাগে।
- **ফলাফল বিচাৰকৰণ ঃ** সমস্যাৰ সমাধানৰ ফলাফল বাৰে বাৰে বিচাৰ কৰি বৈধতা পৰীক্ষা কৰিব লাগে।

ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধান আৰু সমস্যা উপস্থাপনৰ ক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগে। তলত শিক্ষকৰ ভূমিকা সম্পৰ্কে দাঙি ধৰা হ'ল।

- সমস্যাৰ পৰিৱেশ সৃষ্টিকৰণ।
- শ্ৰেণীত ভয় নোহোৱা পৰিৱেশ সৃষ্টি।
- সমস্যা গ্ৰহণ, সংজ্ঞাকৰণ আৰু উপস্থাপনত ছাত্ৰ-ছাত্ৰীক সহায় কৰা।
- ছাত্ৰ-ছাত্ৰীসকলক যৌগিক চিন্তা, মুক্ত মন আৰু কৌতূহল প্ৰৱণতা তথা আৱিষ্কাৰৰ ক্ষেত্ৰত সহায় কৰিব লাগে।

**প্ৰ ঃ ৯ সমস্যা সমাধানৰ স্তৰবোৰ উল্লেখ কৰক।**

### ১.৩.৭ অৰ্থ বুজোৱাৰ বাবে শিক্ষণ

তলত উল্লেখ কৰা পৰিৱেশটো পঢ়ক ঃ

**পৰিৱেশ ৬ ঃ** ইংৰাজী শিক্ষক মিচ সুস্মিতাই তেওঁ যষ্ঠৰ ছাত্ৰ-ছাত্ৰীসকলক বৰ্ষা ঋতু' (The Rainy susm) ওপৰত ৰচনা লিখাৰ ক্ষেত্ৰত সহায় কৰিছিল। এই কথাটো মনলৈ অনাৰ বাবে মিচ্ সুস্মিতাই ছাত্ৰ-ছাত্ৰীসকলক সুধিছিল যে তোমালোকৰ মনলৈ কি চিন্তা আহে, 'যদি মই কওঁ 'এতিয়া বৰষুণ দি আছে।' শ্ৰেণীৰ

প্ৰত্যেকে উত্তৰ দিবলৈ উৎসুক হৈ পৰিছিল। ইয়াৰে কিছুমান প্ৰতিক্ৰিয়া তলত দাঙি ধৰা হ'ল— 'মই বৰষুণত নাচি ভাল পাওঁ।'

'সকলোফালে বোকা আৰু লেতেৰা।'

'বৰষুণৰ ফলত বানপানী আৰু দুখ-কষ্ট হয়।'

'পথাৰখনৰ চাৰিওফালে কেৱল সেউজীয়া।'

'যেতিয়া বৰষুণৰ টোপাল টিঙত পৰে, ইয়াত সংগীত নিচিনা লাগে আৰু ময়ো তেনে শব্দ কৰো।'

'মহ, পোক-পৰুৱা আৰু বিভিন্ন বেমাৰ আহে, বৰষুণ নাহিলে মই ভাল পাওঁ।'

গৰমৰ ঘামৰ পিছত বৰষুণ দিলে ঠাণ্ডা পৰে আৰু সুস্থিৰ অনুভৱ হয়।

তোমালোকে বহুৰঙী ছাতিবোৰ ৰাস্তাত দেখা নে? ময়ো তেনে এটা বিচাৰো।'

তোমালোকে বহুৰঙী ফুল, সৰু ভেকুলী আৰু কাগজৰ নাও দেখা লোৱা নে? বৰষুণ আহিলে কিযে ফূৰ্তি। বৰষুণৰ সৈতে চৰ্দি, জ্বৰ, মূৰৰ বিষ আহে। আকাশ মেঘে চাকি ৰখাৰ বাবে সূৰ্যটো দেখা পোৱা নাযায়, ডাৱৰীয়া হৈ থাকে।

এনে ধৰণৰ তালিকা কেতিয়াও শেষ নহ'ব। এইসকলোবোৰ প্ৰতিক্ৰিয়াৰ মাজত আপুনি ভুল বা অসামঞ্জস্যপূৰ্ণ প্ৰতিক্ৰিয়া পাইছে নেকি? প্ৰত্যেক উক্তিতে বৰষুণৰ বিষয়ে কোৱা হৈছে আৰু প্ৰত্যেক শিশুৱে নিজৰ ভাব ব্যক্ত কৰিছে।

আপুনি যদি বৰষুণৰ অৰ্থ বিচাৰি চাই, নিশ্চয়কৈ অসমৰ্থ হ'ব। আপুনি যিকোনো বস্তুৰ অৰ্থৰ বিষয়ে জানিব বিচাৰিব পাৰে, তাৰ উত্তৰত আপুনি বহুতো প্ৰতিক্ৰিয়া পাব, কিন্তু প্ৰত্যেকবোৰৰ মাজত পাৰ্থক্য থাকে। কোনো এটা বস্তুৰ ধাৰণা বা অৰ্থৰ ক্ষেত্ৰত কিয় ইমান পাৰ্থক্য অঁকা দেখা যায়?

ই হৈছে সংবোধন, যি ব্যক্তি ভেদে পৃথক হয়। ব্যক্তিৰ সংবোধনক সি/তাই কৰা কাৰ্যৰ দ্বাৰা বুজিব পৰা যায়। যেতিয়া বৰষুণ আহে, কিছুমানে বৰষুণত খোজ কাঢ়ি ভাল পায়। তথাপিও, 'বৰষুণ দিছে' এই কথাটোত কোনো দ্বিমত নহয়, তেওঁলোকৰ সংবোধনৰ ক্ষেত্ৰত পাৰ্থক্য থকা দেখা যায় আৰু ঘটনাৰ পৰাও অৰ্থ উলিওৱা হয়। এনেদৰে একে পৰিৱেশৰ বিষয়ে বিভিন্ন ব্যক্তিয়ে ভিন্ন ধৰণে সংবোধন লাভ কৰে। ইয়াতকৈ ডাঙৰ কথা যে আমি যি সংবোধন লাভ কৰো তাৰ বিষয়ে বিভিন্ন অৰ্থ উলিয়াও। আমি লাভ কৰা সংবোধনসমূহ হৈছে আমাৰ পূৰ্ব অভিজ্ঞতা, আমাৰ অনুমান আৰু আমাৰ উদ্দেশ্য (প্ৰয়োজন) আমি যেতিয়ালৈকে আমি কৰা প্ৰচেষ্টাবোৰৰ পৰা বিৰক্ত অনুভৱ নকৰো তেতিয়ালৈকে আমাৰ সংবোধনবোৰ সলনি নকৰো। যদি আমি বস্তু আৰু প্ৰক্ৰিয়াৰ অৰ্থ পাওঁ; তেতিয়া আমি সেইবোৰ সলনি নকৰো, আনে তাক অশুদ্ধ বুলি ক'লেও মানি নলওঁ। আমি কোনো বস্তুৰ বিষয়ে গ্ৰহণ কৰা অৰ্থ বা সংবোধনে নতুন বস্তু বা নতুন সমস্যা সমাধানত সহায় নকৰে, তেতিয়া আমি বিকল্প অৰ্থ বিচাৰো যিয়ে আমাৰ উদ্দেশ্যত সহায় কৰে। শিক্ষণৰ সামৰ্থ্যই কোনো অনুপযুক্ত সংবোধনৰ পৰিবৰ্তন বা অস্বীকাৰ কৰা বুজায় আৰু তাৰ ফলত নতুন আৰু কৰ্মক্ষম অৰ্থৰ উদ্ভৱ হয়। চমুকৈ শিক্ষণ হৈছে অৰ্থ সৃষ্টি পুৰণিক সলনি কৰি তাৰ ঠাইত বিকল্প অৰ্থ অনা। যেতিয়া শিক্ষণে অৰ্থ সৃষ্টি কৰে, তেতিয়া ছাত্ৰ-ছাত্ৰীসকলেও অৰ্থৰ স্ৰষ্টা হৈ পৰে। এই ক্ষেত্ৰত শিক্ষণ প্ৰক্ৰিয়া শিক্ষাৰ্থী কেন্দ্ৰিক হয়, শিক্ষাৰ্থীৰ ওপৰত নিৰ্ভৰশীল হয়।

আমি প্ৰচলিত শিক্ষক কেন্দ্ৰিক, পাঠ্যক্ৰম নিৰ্ভৰশীল শিক্ষাত শ্ৰেণীকোঠাৰ সকলো ছাত্ৰ-ছাত্ৰী সমৰ্থ একে স্তৰৰ বুলি ভাবো আৰু কোনো বস্তু বা ঘটনাৰ একে অৰ্থ উলিয়াও। সেইবাবে, যিটো বিশ্বাসেৰে আমি শ্ৰেণীকোঠাত শিকাও, শিক্ষণো তেনেকুৱাই হৈ পৰে। যেতিয়া আমি শিক্ষণক অৰ্থৰ সৃষ্টি বুলি গণ্য কৰো তেতিয়া এনে নহয়। অৰ্থ স্ৰষ্টাৰ শিক্ষণ প্ৰক্ৰিয়াৰ কেতিয়াও সম্পত্তি নঘটে। সি/তাই অবিৰতভাৱে অৰ্থৰ সৃষ্টি কৰে, পৰিৱেশৰ সৈতে নতুন সম্পৰ্কৰ বাবে।

অৰ্থ সৃষ্টিৰ শিক্ষণৰ বাবে, আপুনি এগৰাকী শিক্ষক হিচাবে আপোনাৰ ভূমিকা তলত দাঙি ধৰা হ'ল।

- শ্ৰেণীত কোনো শিক্ষণ কাৰ্য আৰম্ভ কৰাৰ আগতে সেই কাৰ্যত ছাত্ৰ-ছাত্ৰীৰ পূৰ্ব অভিজ্ঞতাৰ বিষয়ে আপোনাৰ স্পষ্ট জ্ঞান থাকিব লাগিব।
- পূৰ্বজ্ঞানৰ উপৰিও, ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, মনোযোগ দৃষ্টিভংগী, ব্যক্তিত্ব বৈশিষ্ট্যৰ বিষয়ে আপুনি জানিব লাগিব, যিবোৰ দিশত তেওঁলোকৰ সংবোধন থাকে।
- আপুনি স্কুল আৰু শ্ৰেণীকোঠাত এটা উপযুক্ত পৰিৱেশ গঢ় দি তুলিব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মতামত উপযুক্তভাৱে দাঙি ধৰিব পাৰে আৰু আলোচনা কৰিব পাৰে।
- আপুনি প্ৰত্যেক শিক্ষাৰ্থীৰ নিৰ্দিষ্ট বিষয়ৰ ওপৰত থকা সংবোধন বোৰ্ডত লিখিব দিব লাগে যাতে আন শিক্ষাৰ্থীয়ে এনে উক্তিবোৰ দেখা পায়।
- আপুনি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক নিজৰ মতামত ডাঙি ধৰাৰ সুযোগ দিব লাগে যাতে এই প্ৰক্ৰিয়াটোত সকলোৱে আনৰ সংবোধন জানিব পাৰে। প্ৰত্যেকে নিজৰ স্থান মূল্যায়ন কৰি প্ৰয়োজন হ'লে তাক সংশোধন কৰিব পাৰে।

**প্ৰঃ ১০** অৰ্থসৃষ্টিত সংবোধনৰ গুৰুত্ব বিষয়ে উল্লেখ কৰক।

## ১.৪. শিকন প্ৰক্ৰিয়া

স্কুলীয়া দিনৰ পৰা আমি সকলোৱে শিকণৰ বিভিন্ন প্ৰকাৰৰ অভিজ্ঞতা লাভ কৰি আহিছোঁ। কিন্তু যদি কোনোবাই 'শিকন কি?' তেতিয়া সাধাৰণ আৰু সৰল উত্তৰটো এনেধৰণৰ হ'ব — 'শিক্ষকে শ্ৰেণীকোঠাত যি কৰে সেয়াই শিকন।' যিহেতু বিভিন্ন ধৰণৰ শিক্ষক থাকে, সেইবাবে যিকোনো বিভিন্ন প্ৰকাৰৰ হয়। পৰম্পৰাগতভাৱে আমাৰ শ্ৰেণী কোঠা শিক্ষকৰ অধীনত থাকে, সেইবাবে শিক্ষককেন্দ্ৰিক হয়। শ্ৰেণী কোঠাত হোৱা সকলো কাৰ্যই শিক্ষকে স্থিৰ কৰে, আদান-প্ৰদান কৰে আৰু মূল্যায়নো কৰে। শিক্ষাৰ্থীসকৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত একো ক'বলগীয়া নেথাকে। শিক্ষকে নিজৰ ইচ্ছা অনুসৰি শিক্ষাৰ্থীসকলক নিৰ্দেশনা প্ৰদান কৰে। শিকন হৈছে তথ্যৰ আদান-প্ৰদান, পাঠ্যক্ৰমত যিটো দিয়া হৈছে ছাত্ৰ-ছাত্ৰীসকলক তাৰ তথ্য দিয়া। তাৰোপৰি -শিক্ষক কেন্দ্ৰিক শ্ৰেণীকোঠাক শিক্ষাৰ্থীকেন্দ্ৰিক শ্ৰেণী কোঠা হিচাবে গঢ়ি তুলিবলৈ, শিক্ষাৰ্থী আৰু শিক্ষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগিব আৰু শিকন প্ৰক্ৰিয়াৰো সংশোধন কৰিব লাগিব। শিক্ষাৰ কোনো এটা নিৰ্দিষ্ট পথ নথাকে আৰু সেইবাবে বিভিন্ন শিকন আৰ্হি প্ৰয়োগেৰে শিকন ফলপ্ৰসূ কৰি তোলা হয়।

এই শাখাটোত বৰ্তমান শ্ৰেণীকোঠাৰ সঘনে অনুশীলন হোৱা শিকনৰ তিনিটা গুৰুত্বপূৰ্ণ অভিগমন বিষয়ে আলোচনা কৰা হৈছে।

### ১.৪.১ আচৰণ সংশোধনৰ শিকন

আমি জানো যে শিক্ষণ হৈছে আচৰণৰ স্থায়ী সংশোধন। আচৰণ ব্যক্তিভেদে পৃথক হয়। কিছুমানে বিশ্বাস কৰে যে আচৰণ হৈছে এজন ব্যক্তিৰ ব্যক্তিত্বৰ সংলক্ষণৰ সমষ্টি বা ব্যক্তিৰ বৈশিষ্ট্যসমূহ, আনহাতে কিছুমানৰ স'তে আচৰণ হৈছে ব্যক্তিৰ নিৰীক্ষণীয় কাৰ্য, যাক নিৰ্দেশনা দিয়া হয়। শিকনৰ আচৰণ সংশোধনৰ অভিগমন দ্বিতীয়টো বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। আমি যেতিয়া শিশুৰ নিৰীক্ষণীয় আচৰণ সংশোধন বা পৰিবৰ্তন

কৰো, তেতিয়া আমি প্ৰতক্ষ বা পৰোক্ষভাৱে শিশুক শিক্ষণৰ ক্ষেত্ৰত সহায় কৰোঁ।

নিৰীক্ষণীয় আচৰণ প্ৰধানকৈ দুই প্ৰকাৰৰ — প্ৰকাশ্য ব্যৱহাৰ আৰু নিৰ্গত ব্যৱহাৰ।

আমি যেতিয়া শিশু এটাই উপযুক্ত দিশ গ্ৰহণেৰে আচৰণ কৰাটো বিচাৰো, তেতিয়া আমি শিশুটোৰ আচৰণ উলিয়াই ল'ব বিচাৰো। উদাহৰণ স্বৰূপে, যেতিয়া আমি শিশু এটাক চকলেট দি দৌৰিবলৈ দিও, শিশুটোৰ সেই দৌৰৰ পৰা আমি তাৰ আচৰণ উলিয়াবলৈ চেষ্টা কৰোঁ। কেতিয়াবা কিছুমান উৎসৱত আপানালোকে নিশ্চয় অভিজ্ঞতা লাভ কৰে যে আগতে কেতিয়াও নেদেখুৱা বিশেষ আচৰণ ব্যক্তিয়ে দেখুৱায়। আমি তেনে আচৰণক নিৰ্গত আচৰণ হিচাবে অভিহিত কৰোঁ। এটা শিশুৱে মুখেৰে মিঠা মাত উলিওৱা, এজন শিক্ষাৰ্থীয়ে এটা বেলেগ পদ্ধতি ব্যৱহাৰেৰে কঠিন সমস্যা সমাধান কৰা বা এজনী ছোৱালীয়ে নৃত্যৰ শ্ৰেণীত নিশিকা এক বিশেষ ভংগীমা প্ৰদৰ্শন কৰা আদিবোৰ হৈছে নিৰ্গত xxyy আচৰণৰ উদাহৰণ।

যেতিয়া এটা শিশুক নিৰীক্ষণীয় আচৰণৰ দুয়ো প্ৰকাৰক (নিৰ্গত আৰু প্ৰকাশ্য) সাধাৰণ আচৰণৰ দৰে নিৰ্দেশনা দিও, তেতিয়া আমি তাক আচৰণ সংশোধন হোৱা বুলি কওঁ। আচৰণ সংশোধনৰ দুটা পৰ্যায় আছে ঃ প্ৰথম পৰ্যায়টো হৈছে যেতিয়া প্ৰয়োজন হয় তেতিয়া প্ৰকাশ্য বা নিৰ্গত আচৰণ যাতে বাৰে বাৰে দেখা যায় আৰু দ্বিতীয়টো হৈছে সংশোধনৰ প্ৰক্ৰিয়াটো অবিৰতভাৱে চলি থাকিব লাগে, বৰ্তমান আচৰণ পৰিবৰ্তন কৰি তাৰ ঠাইত নতুন আচৰণ আহৰণ কৰিব লাগে। শিশুৰ দুটো প্ৰকাৰৰ আচৰণ পুনৰাবৃত্তি আৰু সংশোধনক অভ্যাসত পৰিণত কৰা প্ৰক্ৰিয়াক মনোবিদসকলে ‘অনুবন্ধনবাদ’ বুলি অভিহিত কৰিছে। আচৰণৰ ওপৰত ভিত্তি কৰি অনুবন্ধনবাদক দুটা ভাগত ভাগ কৰা হৈছে, যেনে পৰম্পৰাগত অনুবন্ধনবাদ বা প্ৰকাশ্য আচৰণ আৰু ফলোৎপাদনমূলক অনুবন্ধনবাদ বা নিৰ্গত আচৰণ।

পৰম্পৰাগত অনুবন্ধনবাদ (Classical cenditioning) ৰাছিয়াৰ মনোবিদ আইভান পিভলভেপৰম্পৰাগত অনুবন্ধনবাদৰ বিকাশ কৰি তুলিছিল। (প্ৰায় ১৮৯০ চনত)। তেওঁ পৰীক্ষাগাৰত লক্ষ্য কৰিছিল যে যেতিয়া কুকুৰবোৰক খুৱাবৰ হয়, নাইবা যেতিয়া সিহঁতে খোৱাবস্তুৰ গোন্ধ পায় বা দেখে তেতিয়া জিভাৰ পানী ওলায়। আচৰিতভাৱে যেতিয়া খোৱা বস্তু দিয়া ব্যক্তিজনৰ চেন্দেলৰ শব্দ শুনে তেতিয়াও সিহঁতৰ জিভাৰ পানী পৰে। এটা সাধাৰণ নিৰীক্ষণৰ পৰা পেভলেভে সচেতন ভাৱে কিছুমান পৰীক্ষা চলাইছিল, ইয়াৰ সৈতে বেলৰ শব্দ সংযোগ কৰিছিল। বেলৰ শব্দৰ পাছতে কুকুৰক খাব দিছিল। সাধাৰণতে বেলৰ শব্দত জিভাৰ পানী নোলায়। কিন্তু ইয়াক খোৱা বস্তুৰ সৈতে সংযোগ কৰাত কুকুৰৰ জিভাৰ পানী ওলায়। এনেদৰে কেইবাৰমান বেল বজোৱাৰ পিছত খাদ্য পৰিৱেশন কৰি থকাত, এটা সময়ত কেৱল বেলৰ শব্দতে কুকুৰৰ জিভাৰ পানী ওলায়, অথচ তেতিয়া খাদ্য দিয়া নহয়। পেভলাভৰ পৰীক্ষাত, বেলটো হৈছে অনুবন্ধিত উদ্দীপক (CS), খাদ্য হৈছে প্ৰকৃত উদ্দীপক (UCS) আৰু খাদ্যৰ প্ৰতিক্ৰিয়া স্বৰূপে জিভাৰ পানী হৈছে অনুবন্ধিত নোহোৱা প্ৰতিক্ৰিয়া (UCR), য'ত বেলৰ শব্দত ওলোৱা জিভাৰ পানী হৈছে অনুবন্ধিত প্ৰতিক্ৰিয়া (CR)। প্ৰথমতে বেলৰ শব্দটো জিভাৰ পানীৰ বাবে নিৰপেক্ষ প্ৰতিক্ৰিয়া আছিল (যিয়ে প্ৰতিক্ৰিয়া আনিব নোৱাৰে)।

সাধাৰণতে, এটা উদ্দীপক আৰু প্ৰতিক্ৰিয়াক নিৰপেক্ষ উদ্দীপকৰ সৈতে সংযোগ কৰাৰ ফলত পৰম্পৰাগত অনুবন্ধনৰ সৃষ্টি হয়। ইয়াক প্ৰতিক্ৰিয়াৰ অনুবন্ধন বুলিও কোৱা হয় কাৰণ প্ৰকাশ্য আচৰণ উদ্দীপকৰ প্ৰতিক্ৰিয়া স্বৰূপে দেখা দিয়ে।

পৰম্পৰাগত অনুবন্ধনবাদ শ্ৰেণীকোঠাৰ বাবে যথেষ্ট গ্ৰহণযোগ্য, কাৰণ একে সময়তে বিভিন্ন শিক্ষণ চলি থাকে। এনেদৰে শিক্ষাৰ্থীয়ে অচেতন প্ৰক্ৰিয়াৰ দ্বাৰা স্কুল, বিষয় আৰু শিক্ষকসকলক ভাল পায় বা বেয়া পায়। উদাহৰণ স্বৰূপে, স্কুলৰ বিষয় হৈছে এক নিৰপেক্ষ উদ্দীপক, যিয়ে আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীৰ আবেগিক

প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। শিক্ষক, শ্ৰেণীকোঠা বা আন কিছুমান স্পষ্ট উদ্দীপকে শিক্ষাৰ্থীৰ তৎকালীন পৰিৱেশত অনুবন্ধিত উদ্দীপকবোৰ ভাল লগা (যেনে উপযুক্ত বতাহৰ সুবিধা থকা শ্ৰেণী কোঠা, বন্ধুসুলভ শিক্ষক) বা বেয়া লগা (আন্দাৰ আৰু গৰম শ্ৰেণীকোঠা, ভয় লগা কণ্ঠেৰে কঠিন শিক্ষক) হ'ব পাৰে। বিষয়বস্তু আৰু স্পষ্ট উদ্দীপকৰ সংযোগেৰে সৈতে আবেগ আৰু দৃষ্টিভংগীক লগ লগোৱাৰ ফলস্বৰূপে স্কুলৰ কিচুমান দিশত পৰম্পৰাগত অনুবন্ধনৰ সৃষ্টি হয়। গণিত শিক্ষণক বেয়া পোৱাটো শ্ৰেণীকোঠাৰ এক নিদৰ্শন স্বৰূপ আৰু পৰম্পৰাগত অনুবন্ধনবাদৰ এক উদাহৰণ স্বৰূপ। গণিত শিক্ষণক ভাল পোৱা (অন্ততঃ আবেগিক অংশ) পৰম্পৰাগত অনুবন্ধনৰ যোগেদি কৰিব পাৰি।

**ফলোৎপাদনমূলক অনুবন্ধনবাদ** (Operant conditioning) ঃ

ফলোৎপাদনমূলক অনুবন্ধনবাদ ১৯৪০ চনত স্কীনাৰে চৰাই আৰু নিগনিৰ ওপৰত পৰীক্ষা চলাই বিকাশ কৰি তুলিছিল। সাধাৰণ অৰ্থত ফলোৎপাদনমূলক অনুবন্ধনবাদে জীৱৰ আচৰণ শক্তিশালী কৰি তোলে (স্ত্ৰীনাৰে ইয়াক প্ৰতিপুষ্টি আখ্যা দিছে) যাতে ইয়াৰ সম্ভাৱনীয়তা বৃদ্ধি পায়। ই প্ৰতিপুষ্টিৰ ফলাফল বৃদ্ধি কৰে। স্কীনাৰৰ তত্ত্ব মূল দিশ হৈছে প্ৰতিপুষ্টি আৰু আচৰণৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰা আৰু আচৰণ পৰিণামৰ দ্বাৰা কেনেদৰে প্ৰভাৱিত হয় তাক দেখুওৱা।

স্কীনাৰে তেওঁৰ দুটা গুৰুত্বপূৰ্ণ দিশৰ মাজত পাৰ্থক্য উলিয়াইছিল- প্ৰতিপুষ্টি আৰু প্ৰতিপুষ্টিযুক্ত। উদাহণস্বৰূপে প্ৰশংসা বা খাদ্য হৈছে প্ৰতিপুষ্টি আৰু যেতিয়া প্ৰতিক্ৰিয়া নিৰ্গত হয় তাক প্ৰতিপুষ্টি যুক্ত বুলি কোৱা হয়। নিৰ্গত আচৰণে দেখা দিয়া আৰু নিৰ্গত আচৰণ সংশোধন প্ৰতিপুষ্টিৰ সলনি হ'লেহে সম্ভৱ হয়। যি নহওক প্ৰতিপুষ্টি দুই প্ৰকাৰৰ ইতিবাচক আৰু নেতিবাচক। ইতিবাচক প্ৰতিপুষ্টিয়ে (প্ৰশংসা, পুৰস্কাৰ) ভাল লগা উদ্দীপকক অন্তৰ্ভুক্ত কৰি লয়, যাক নিৰ্গত আচৰণে মানি লৈ আচৰণ শক্তিশালী কৰি তোলে। যেতিয়া শিক্ষকে শিক্ষাৰ্থীৰ ফালে চাই হাঁহে, তেওঁলোকক ভাল লগা কথা কয়, তেওঁলোকৰ কাৰ্যৰ প্ৰশংসা কৰে, ভাল গ্ৰেড প্ৰদান কৰে এইবোৰ হৈছে ইতিবাচক প্ৰতিপুষ্টি। যেতিয়া কোনো এটা ভাল নলগা কাৰ্য আঁতৰ কৰিবলগীয়া হয় যিয়ে আচৰণ শক্তিশালী কৰে তেতিয়া তাত নেতিবাচক প্ৰতিপুষ্টিৰ সৃষ্টি হয়। শাস্তিৰ ভয়, অনুত্তীৰ্ণ, ঠাট্টা কৰা, আবদ্ধ ৰখা আৰু অন্য কিছুমান ব্যৱস্থা শিক্ষকে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰে, যিবোৰ হৈছে নেতিবাচক প্ৰতিপুষ্টি। এইবোৰৰ দ্বাৰা শিক্ষাৰ্থীৰ অব্যৱহাৰযোগ্য আচৰণ আঁতৰাব পৰা যায়।

আপুনি হয়তো শাস্তিক প্ৰতিপুষ্টি বুলি নেভাবিব পাৰে। শাস্তিক কেতিয়াবা ভাল লগা উদ্দীপক আঁতৰাই বা দুখদায়ক উদ্দীপক প্ৰদান কৰি, শিক্ষাৰ্থীক শাৰীৰিক আৰু আবেগিকভাৱে কষ্ট প্ৰদান কৰা হয়। স্কুলত ব্যৱহাৰ কৰা নেতিবাচক প্ৰতিপুষ্টিৰ উদাহৰণ কিছুমান হৈছে— শাৰীৰিক শাস্তি প্ৰদান, ধমকি দিয়া, ভয় খুওৱা, শ্ৰেণী শেষ হোৱাৰ পাছত আবদ্ধ কৰি ৰখা ইত্যাদি।

শিকন প্ৰক্ৰিয়া বিভিন্ন প্ৰযুক্তি প্ৰয়োগৰ ক্ষেত্ৰত ফলোৎপাদনমূলক অনুবন্ধনবাদ ব্যৱহাৰ কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হৈছে অনুসূচীত শিক্ষণ বা অনুসূচীত নিৰ্দেশনা আৰু কম্পিউটাৰ সহায়ক শিক্ষণ।

**আচৰণ সংশোধন অভিগমনৰ প্ৰাসংগিকতা ঃ**

আচৰণ সংশোধন অভিগমনে আমাক শ্ৰেণীকোঠাত সাধাৰণতে ব্যৱহাৰ হোৱা দিশসমূহৰ প্ৰতি সচেতন কৰি তোলে। তলত এইসমূহ দাঙি ধৰা হ'ল।

- শিক্ষণৰ বাবে পুনৰাবৃত্তিৰ প্ৰয়োজন যাক আমি আচৰণ সংশোধন তত্বত পাব পাৰো।
- প্ৰতিপুষ্টি নোহোৱাকৈ কৰা পুনৰাবৃত্তিয়ে শিক্ষণ কাৰ্যত সহায় নকৰে।

- প্ৰতিপুষ্টি উপস্থাপনৰ পাৰ্থক্যই আচৰণ সংশোধনত সহায় কৰে।
- বেয়া আচৰণ আঁতৰোৱাৰ ক্ষেত্ৰত শাস্তি প্ৰদান কাৰ্য বেছি ফলপ্ৰসূ নহয়।
- কামৰ প্ৰতি থকা আগ্ৰহে উপযুক্ত শিক্ষণত সহায় কৰে।

আচৰণ সংশোধনৰ অভিগমনৰ ক্ষেত্ৰত থকা সমালোচনা হৈছে এয়ে যে ই কেৱল নিৰীক্ষণীয় আচৰণহে শিক্ষণৰ বাবে সংশোধন কৰে। ই সৰু ল'ৰা-ছোৱালী আৰু জীৱ-জন্তুৰ বাবে প্ৰযোজ্য। কিন্তু বয়স বৃদ্ধিৰ লগে লগে মানসিক বিকাশো হয় আৰু তেতিয়া নিৰীক্ষণীয় আচৰণে ব্যক্তিৰ প্ৰকৃত স্বৰূপ দাঙি ধৰিব নোৱাৰিবও পাৰে। স্কুলত পঢ়া শিশু এটাই আনক আকৰ্ষণ কৰিবলৈ বা শাস্তি এৰাবলৈ কিছুমান আচৰণ দেখুওৱায়। সেই কাৰণে, আচৰণৰ সকলো সংশোধনে শিক্ষণ সৃষ্টি নকৰিবও পাৰে।

**প্ৰশ্ন ঃ ১১ ফলোৎপাদনমূলক অনুবন্ধনেৰে কেনেকৈ আচৰণ সংশোধন কৰিব পাৰি?**

**প্ৰশ্ন ঃ ১২ নেতিবাচক প্ৰতিপুষ্টি আৰু শাস্তিৰ মাজৰ পাৰ্থক্য লিখক।**

### ১.৪.২ সংজ্ঞানাত্মক বিকাশৰ বাবে শিকন

সংজ্ঞানাত্মক শব্দটোৰ অভিধানিক অৰ্থ হৈছে জনাৰ কলা। সাধাৰণতে ই জনা, বোধ, প্ৰক্ৰিয়াকৰণ আৰু তথ্য ব্যৱহাৰ আদিৰ লগত জড়িত আৰু এইবোৰক মানসিক সমৰ্থ বা বুদ্ধিৰ উপাদান বোলা হয়। সংজ্ঞানাত্মক বিকাশ শিশুৰ জীৱনৰ বৌদ্ধিক বিকাশৰ স্তৰৰ সৈতে জড়িত। সংজ্ঞানাত্মক দিশৰ বিকাশৰ সৈতে বিভিন্ন তত্ত্ব জড়িত হৈ আছে।

সংজ্ঞানাত্মক বিকাশৰ বিভিন্ন তত্ত্ব আছে। সকলোবোৰ তত্ত্বৰ ভিতৰত পিঁয়াজেৰে তত্বই ১৪/১৫ বছৰ বয়সৰ ভিতৰত সংজ্ঞানাত্মক বিকাশৰ এক সামগ্ৰিক ধাৰণা আমাৰ আগত দাঙি ধৰিছে, এইসময়ছোৱাত ল'ৰা-ছোৱালী সংজ্ঞানাত্ম বিকাশ উচ্চ পৰিমাণত হয়। পিয়াজেৰে স'তে সংজ্ঞানাত্মক বিকাশৰ ভিতৰত কেইটামান স্তৰ অন্তৰ্গত হৈ আছে, প্ৰতিটো স্তৰৰে আচৰণৰ কেইটামান বৈশিষ্ট্য আছে, আৰু চিন্তা আৰু সমস্যা সমাধানৰ কিছুমান পথ আছে।

তলত প্ৰত্যেক স্তৰৰ ভাগসমূহ দাঙি ধৰা হ'ল—

- ইন্দ্ৰিয় সঞ্চালনমূলক — ০-২ বছৰ বয়সলৈ
- প্ৰাক ব্যৱহাৰিক — ২-৭ বছৰ বয়সলৈ
- মূৰ্ত ব্যৱহাৰিক — ৭-১১ বা ১২ বছৰ
- আনুষ্ঠানিক ব্যৱহাৰিক — ১১/১২-১৪/১৫ বছৰ

প্ৰত্যেক স্তৰৰ শিশুৰ আচৰণৰ বৈশিষ্ট্যই শিসুৰ সংজ্ঞানাত্ম বিকাশৰ পৰ্যায়ৰ বিষয়ে জনাত শিক্ষক হিচাবে আপোনাক সহায় কৰিব। শিক্ষণৰ সকলো দিশতে সংজ্ঞানাত্মক বিকাশৰ কথাটো জনা প্ৰয়োজন- শিক্ষাৰ্থীয়ে কেনেকৈ ভাবে, যুক্তি দিয়ে অন্য প্ৰক্ৰিয়া আৰম্ভ কৰে। সংজ্ঞানাত্মকে বিকাশৰ চাৰিটা স্তৰৰ কিছুমান গুৰুত্বপূৰ্ণ বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল।

তালিকা ১ ঃ পিয়াজেৰ সংজ্ঞানাত্মক বিকাশৰ স্তৰ

| স্তৰ | বয়স (প্ৰায়) | কিছুমান বৈশিষ্ট্য |
| --- | --- | --- |
| ইন্দ্ৰিয় সঞ্চালনমূলক | ০-২ বছৰ | সঞ্চালনৰ কাৰ্যৰ সৈতে জড়িত বুদ্ধি |
| | | বৰ্তমান ভৱিষ্যত আৰু বস্তুৰ সৈতে সজাগতা |
| | | ভাষা আৰু চিন্তাবিহীন |

| | | |
|---|---|---|
| | | বস্তুনিষ্ঠ বাস্তৱতাৰ প্ৰতি ধাৰণা নথকা |
| প্ৰাক-ব্যৱহাৰিক | ২-৭ বছৰ | আত্মকেন্দ্ৰিক চিন্তা |
| প্ৰাক-সংশোধনমূলক | ২-৪ বছৰ | সংশোধনৰ দ্বাৰা যুক্তি |
| বোধ শক্তি | ৪-৭ বছৰ | যুক্তিৰ দ্বাৰা সমাধানকৈ বোধ শক্তিৰ ব্যৱহাৰ সংৰক্ষণৰ অসমৰ্থতা |
| মূৰ্ত ব্যৱহাৰিক | ৭-১১ বা ১২বছৰ | সংৰক্ষণৰ সমৰ্থতা<br>শ্ৰেণী আৰু সম্পৰ্কৰ যুক্তি সংখ্যাৰ বোধ<br>চিন্তাৰ বিপৰীতমুখী বিকাশ |
| আনুষ্ঠানিক ব্যৱহাৰিক | ১১ বা ১২-১৪ বা ১৫ বছৰ | চিন্তাৰ সম্পূৰ্ণ সাধাৰণীকৰণ পদাবয়ী চিন্তা<br>আনুমানিক ভাব আৰু পৰিৱেশৰ সৈতে কাৰ্যৰ সমৰ্থতা<br>ভাৱবাদৰ শক্তিশালী বিকাশ |

উৎস ঃ লিফ্ৰেক'চিন (১৯১৪)

পিয়াজেৰ তত্ত্ব মতে শিশুৱে মানসিক/সংজ্ঞানাত্মক গঠনলৈ জন্ম লাভ কৰে, যিবোৰৰ বেছি ১৪ বা ১৫ বছৰ বয়সত অধিক হয়। এই চাৰিওটা স্তৰৰ সংজ্ঞানাত্মক বিকাশৰ প্ৰধান ধাৰাসমূহ তলত দাঙি ধৰা হ'ল।

● জীৱনৰ প্ৰথম দুই বছৰত, শিশুসকলে ইন্দ্ৰিয় অভিজ্ঞতা আৰু সঞ্চালন কাৰ্যৰ বেছিকৈ সম্পাদন কৰিছিল। এই স্তৰত এটা শিশুই, যিবোৰ বস্তু থকাটো দেখে, শুনে, চুব পাৰে, সোৱাদ লয় বা গোন্ধ পায় সেইবোৰ থকা বুলি গম পায় আৰু যেতিয়া সেইবোৰ তৎকালীন ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰা আঁতৰাই নিয়া হয়, তাক নোহোৱা বুলি ভাবে।

- ইন্দ্ৰিয় সঞ্চালনমূলক স্তৰৰ শেষৰ ফালে, এটা শিশুই সি/তাইৰ চাৰিওফালে থকা বস্তুবোৰ চিনাক্তকৰণ কৰিব পাৰে আৰু আনৰ বহুত কাৰ্যই অনুকৰণ কৰিব পাৰে। পিছৰ পৰ্যায়ত, শিশুৱে কাৰ্যৰ অবৰ্তমানতো তেনে কাৰ্য অনুকৰণ কৰিব পাৰে (যাক নিলম্বিত অনুকৰণ বোলা হয়) ইয়াৰ পৰা গম পোৱা যায় যে শিশুৱে কোনো কাৰ্য সূক্ষ্মভাবে পৰ্যবেক্ষণ কৰে, কাৰ্য অন্তৰীণ কৰে আৰু ইচ্ছাকৃত কাৰ্য উপযুক্তভাৱে পুনৰ সংগঠন কৰে। ইচ্ছাকৃতভাৱে কৰা কাৰ্যবোৰো বৌদ্ধিক কাৰ্যৰ অন্তৰ্গত।

- পিয়াজেৰ মতে 'ব্যৱহাৰ যোগ্য হৈছে মানসিক কাৰ্যাৱলী যাৰ যুক্তিসংগত নীতি থাকে। তেওঁৰ মতে 'ব্যৱহাৰ' প্ৰকৃতভাৱে ৭ বছৰৰ আগত দেখা নিদিয়ে। কিন্তু ভাষাৰ বিকাশৰ লগে লগে, এটা শিশুই ৰূঢ়ভাৱে কাৰণসমূহ বিচাৰে। এনে যুক্তিবোৰ প্ৰায়েই প্ৰাক-যৌক্তিক আত্মকেন্দ্ৰিকতা (সকলোবোৰ নিজক লৈয়ে ঘূৰে)আৰু বোধযুক্ত, যিবোৰ প্ৰায়ে আবেগ আৰু অনুভূতিৰ দ্বাৰা পৰিচালিত হয়।

- প্ৰাক ব্যৱহাৰিক স্তৰৰ শেষৰ ফালে প্ৰায় ৬/৭ বছৰত শিশুৰ বুদ্ধিৰ বিকাশ হোৱা দেখা যায়। (ঘটনাক্ৰমে এইটো স্কুলৰ আৰম্ভণি স্তৰ) মূৰ্ত ব্যৱহাৰিক স্তৰ, প্ৰায় ৭-১১/১২ বছৰৰ ভিতৰত এটা শিশুৱে প্ৰাক-যুক্তিৰ পৰা যুক্তিসংগত চিন্তালৈ গতি কৰে আৰু বাস্তৱ মূৰ্ত বস্তু আৰু ঘটনাৰ বিষয়ে চিন্তা কৰিব পৰা হয়। এই সময়ছোৱাত তিনিটা গুৰুত্বপূৰ্ণ মানসিক সমৰ্থৰ বিকাশ হয়। সেইকেইটা হৈছে সংৰক্ষণ, শ্ৰেণীকৰণ আৰু ক্ৰমবিকাশমান সংৰক্ষণ হৈছে কোনো বস্তুৰ পৰিমাণৰ পৰিবৰ্তন নঘটা, যেতিয়ালৈকে তাৰ পৰা বস্তু গুচোৱা বা লগ লগোৱা নহয় আৰু

কেতিয়াবা বস্তুৰ সজোৱা ধৰণৰ পৰিবৰ্তনৰ ফলতো বস্তুৰ পৰিবৰ্তন হ'ব পাৰে। উদাহৰণ স্বৰূপে সংখ্যাৰ সংৰক্ষণৰ পৰীক্ষা কৰিবলৈ তলত দিয়া ধৰণে মাৰ্বল সজোৱা হ'ল।

o
oo          oooooo
ooo
(a)          (b)

চিত্ৰ ঃ ১ মাৰ্বলৰ সাজোন

এই দুই ধৰণে মাৰ্বল সজাই প্ৰাক ব্যৱহাৰিক স্তৰৰ শিশুক দেখুৱালে বেছি ভাগ শিশুই (b)ত মাৰ্বল বেছি থকা বুলি ক'ব। কাৰণ তেওঁলোকৰ সংৰক্ষণ সমৰ্থৰ বিকাশ হোৱা নাই। একেই সংৰক্ষণৰ কাৰ্যটোৰ পৰা গম পোৱা গ'ল যে ব্যৱহাৰিক স্তৰত শিশুৰ সংৰক্ষণৰ সমৰ্থৰ বিকাশ হয়।

বস্তুৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি শ্ৰেণীকৰণ কৰা হয়। শ্ৰেণীকৰণে বস্তুৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ যেনে আকাৰ, আকৃতি, ৰং, ওজন ব্যৱহাৰ আদিৰ তুলনা আৰু বৈসাদৃশ্যক অন্তৰ্ভুক্ত কৰে। প্ৰাক-b ব্যৱহাৰিক স্তৰৰ এটা শিশুৱে বস্তুৰ শ্ৰেণীকৰণ কৰিব নোৱাৰে আৰু একে সময়তে দুটাতকৈ অধিক বস্তুৰ তুলনা কৰিব নোৱাৰে।

ক্ৰমবিকাশ মান হৈছে একে বস্তুক নিৰ্দিষ্ট ধৰণেৰে সজোৱাৰ সমৰ্থতা (বৃদ্ধি বা হ্ৰাস)

এই তিনিটাৰ উপৰিও মূৰ্ত ব্যৱহাৰিক স্তৰত এটা শিশুৰ সংখ্যা, শ্ৰেণীকৰণৰ প্ৰত্যক্ষ উৎপাদন আৰু ক্ৰমবিকাশ আদি দিশত বিকাশ ঘটে।

- সংজ্ঞানাত্মক বিকাশৰ অন্তম স্তৰটো হৈছে আনুষ্ঠানিক ব্যৱহাৰিকতা। ইয়াক আনুষ্ঠানিক বুলি এই কাৰণে কোৱা হয় যে শিশুৱে এই সময়ছোৱাত যিবোৰ বস্তুৰ সৈতে কাৰ্য কৰে সেইবোৰ বেছিভাগেই কাল্পনিক বা অনুমানিক, বিমূৰ্ত আৰু মূৰ্ত বস্তুৰ পৰা মুক্ত। এই স্তৰৰ চিন্তাৰ প্ৰক্ৰিয়াই প্ৰস্তাৱিত যুক্তিক অন্তৰ্ভুক্ত কৰে — যদি, যেতিয়া এই যুক্তি যদি $A>B$ আৰু $B>3$ হয় তেন্তে A আৰু Cৰ সম্পৰ্ক কি? এনে সমস্যাবোৰে বিমূৰ্ত আৰু প্ৰস্তাৱিত যুক্তিক অন্তৰ্ভুক্ত কৰে, যিবোৰ মূৰ্ত ব্যৱহাৰিক স্তৰৰ শিশুসকলে সমাধান কৰিব নোৱাৰে।

ৰাছিয়াৰ মনোবিদ এল ভিগোট স্কিয়ে তেওঁৰ সংজ্ঞানাত্মক বিকাশৰ তত্বত দুটা উপাদান সংযোগ কৰে। তেওঁ সংজ্ঞানাত্মক বিকাশত সংস্কৃতি আৰু ভাষাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁৰ মতে, সংস্কৃতি অবিহনে আমাৰ বৌদ্ধিক কাৰ্যসমূহ জীৱ-জন্তুৰ নিচিনা সীমাবদ্ধ হৈ পৰিব। সংস্কৃতিৰ উপাদানৰ আদান-প্ৰদান আৰু উপযুক্ত ভাষা বিকাশৰ দ্বাৰা আমি উচ্চ মানসিক কাৰ্য যেনে চিন্তা, যুক্তি, মনত ৰখা আদিবোৰ কৰিবলৈ সমৰ্থ হওঁ। পিছত ভিগোটাস্কিয়ে কয় যে শিশুৰ উন্নতিত ভাষা বিকাশৰ তিনিটা স্তৰ থাকে।

(ক) সামাজিক (বাহ্যিক) ভাষা (৩ বা ৪ বছৰৰ আগত), অন্যক নিয়ন্ত্ৰণ কৰিবলৈ বা সাধাৰণ ধাৰণা প্ৰকাশ কৰবলৈ ব্যৱহাৰ কৰা হয়।

(খ) আত্মকেন্দ্ৰিক ভাষা (৩-৭ বছৰ) দ্বাৰা বেছিকৈ নিজৰ কথা কয় আৰু জোৰে কয়। শিশুৰ নিজৰ আচৰণ নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা প্ৰদানত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

(গ) অন্তনিৰ্হিত ভাষা (৭ বছৰৰ ওপৰত) ক কথা নোকোৱাৰ দ্বাৰা চিনাক্ত কৰা হয়, যিয়ে আচৰণ আৰু চিন্তা নিয়ন্ত্ৰণ কৰে।

ভিগোটস্কিয়ে স্কুলৰ ভাষা সম্পৰ্কীয় কাৰ্যাৱলীৰ বিষয়ে শক্তিশালীভাৱে মত আগবঢ়াইছিল আৰু সাংস্কৃতিক উপাদান পাঠ্যক্ৰমৰ আদান-প্ৰদানত আৰু শ্ৰেণীৰ বাহিৰতো অন্তৰ্ভুক্ত কৰাটো বিচাৰিছিল।

প্ৰাথমিক স্কুলৰ বেছিভাগ ল'ৰা-ছোৱালীয়ে মূৰ্ত ব্যৱহাৰিক স্তৰৰ আৰু আনহাতে উচ্চ প্ৰাথমিক স্কুলৰ শিক্ষাৰ্থীসকল আনুষ্ঠানিক ব্যৱহাৰিক স্তৰৰ। এই দুয়োটা স্তৰৰ আলোচনাত পোৱা গ'ল যে সংজ্ঞানাত্মক বিকাশৰ ক্ষেত্ৰত মূৰ্ত ব্যৱহাৰিক স্তৰটো অধিক গুৰুত্বপূৰ্ণ। সেইবাবে আপোনালোকে শিকন কৌশলসমূহ শিশুৰ সংজ্ঞানাত্মক বিকাশৰ বাবে বিকাশ কৰা প্ৰয়োজন। তলত কিছুমান গুৰুত্বপূৰ্ণ দিশ দাঙি ধৰা হ'ল।

আপোনাৰ শিকন কৌশলত, যিমান পাৰে পূৰ্ব অভিজ্ঞতা, পুৰণি শিক্ষণ আৰু আচৰণ (আত্মীকৰণ) আৰু নতুন পৰিবৰ্তন (সুবন্দবস্ত)। মাজত ভাৰসাম্য ৰাখিবলৈ চেষ্টা কৰিব। ভাৰসাম্য বা সন্তুলনে শিশুৰ আচৰণ আৰু পৰিবৰ্তন গ্ৰহণ কৰাত সহায় কৰিব।

- যেতিয়া শিক্ষণ অভিজ্ঞতা প্ৰদান কৰে, তেতিয়া শিশুৰ পৰিপক্কতাৰ স্তৰ চিনাক্ত কৰি ল'ব লাগে। পৰিপক্কতাই জন্মগতভাৱে লাভ কৰা বৈশিষ্ট্য সমূহ প্ৰকাশ কৰি তোলে যিয়ে আমাক শিক্ষণৰ উপযুক্ত সুবিধা প্ৰদানত সহায় কৰে। যেতিয়ালৈকে শিশুৰ ভাষা বিকাশৰ স্নায়ুৰ উপযুক্তভাৱে বিকাশ নহয়, তেনে শিশুক আপুনি জোৰে গান এটা গাবলৈ দিব নোৱাৰে, এনে স্নায়ুসমূহৰ বিকাশ পৰিপক্কতাৰ লগতহে হয়।

- শিশুৰ দৈনন্দিন কাৰ্যাৱলী আৰু বাস্তৱ বস্তু আৰু ঘটনাৰ ওপৰত সংজ্ঞানাত্মক বিকাশ প্ৰত্যক্ষভাৱে নিৰ্ভৰ কৰে। বাস্তৱবস্তু আৰু ঘটনাৰ শিক্ষণৰ সৈতে জড়িত শাৰীৰিক আৰু মানসিক কাৰ্যাৱলী কৰাৰ বাবে অধিক সুবিধা প্ৰদান কৰিব লাগে, বিশেষকৈ আনুষ্ঠানিক ব্যৱহাৰিক স্তৰৰ আগত।

- সামাজিক আদান-প্ৰদান বা আনৰ সৈতে সম্পৰ্ক হৈছে আন মানুহ, বস্তু বা নিজৰ সৈতে সম্পৰ্ক বিকাশ মৌলিক দিশ। এনে আদান প্ৰদান হৈছে মৌখিক প্ৰকৃতিৰ, ই ভাষাৰ সমৰ্থ্যৰ বিকাশত সহায় কৰে আৰু সংজ্ঞানাত্মক কঠিন পৰ্যায় বোধ জন্মায়।

- শিক্ষকৰ বাবে শিশুক বুজাটো এক গুৰুত্বপূৰ্ণ অংশ। যেতিয়া শিশু এটাই আগত দেখুওৱা Fig-1 কাৰ্য কৰে আৰু কয় যে Fig-1(b) বেছি মাৰ্বল আছে, আমি তেতিয়া ক'ব লাগে যে সি/তাই এটা ভুল কৰিছে। যদি আমি ক'ব যাওঁ যে শিশুটোৱে এইটো কিয় শুদ্ধ বুলি ভাবিছে, তেতিয়া বোধহয় আমি সি/তাইক সমৰ্থ্যক আমি ভালদৰে বুজি পাম আৰু প্ৰত্যক্ষভাৱে নিৰ্দেশনা দিব পাৰিম। এনেদৰে আমি শিক্ষাৰ্থীৰ সবলতা আৰু দুৰ্বলতা জানিব পাৰো আৰু তেওঁলোকৰ উপযুক্ত সংজ্ঞানাত্মক দিশ বিকাশৰ বাবে কৌশল তৈয়াৰ কৰিব পাৰো।

- ভাষা হৈছে আমাৰ চিন্তাৰ প্ৰাথমিক সেইবাবে, শিশুক মুক্তভাৱে কথা ক'ব দিলে ই সি/তাইৰ কেৱল সংজ্ঞানাত্মক বিকাশত সহায় কৰিব এনে নহয়, সি/তাইৰ প্ৰকাশভংগীৰ দ্বাৰা সিহঁতক ভালদৰে বুজা যায়।

**প্ৰঃ ১৩** আমি প্ৰাথমিক স্কুলৰ শিক্ষাৰ্থীক কিয় বেছি শিক্ষণ-শিকন সামগ্ৰী যোগান ধৰিব লাগে?

**প্ৰঃ ১৪** শিসুৰ সংজ্ঞানাত্ম বিকাশত দলীয় শিক্ষণৰ গুৰুত্ব কি?

**১.৪.৩ অভিজ্ঞতা সংগঠনৰ বাবে শিকন**

এগৰাকী শিক্ষাৰ্থীৰ নিজৰ জ্ঞানৰ সংগঠন সি/তাইৰ পৰিৱেশৰ সৈতে হোৱা আদান-প্ৰদানৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলে। তলত সংগঠনমূলক শিক্ষণৰ কিছুমান অনুমান তলত দাঙি ধৰা হ'ল।

- জ্ঞান শিক্ষাৰ্থীয়ে সক্ৰিয়ভাৱে গঠন কৰে, পৰিবেশৰ পৰা নিষ্ক্ৰিয়ভাৱে আহৰণ নকৰে।
- অভিযোজনৰ প্ৰক্ৰিয়া জনা আৰু শিক্ষাৰ্থীয়ে পৃথিৱীৰ পৰা লাভ কৰা অভিক্ষতাৰ অবিৰত সংশোধন।

শিক্ষাৰ্থীয়ে লাভ কৰা অভিজ্ঞতা নতুন বস্তু শিক্ষণৰ ক্ষেত্ৰত বেছি গুৰুত্বপূৰ্ণ। সি/তাই অকলে পূৰ্ব অভিজ্ঞতা সংশোধন কৰিব পাৰে, সমস্যাযুক্ত পৰিৱেশৰ সমাধানৰ বাবে আৰু নতুন অভিজ্ঞতা গঠন বা নতুন জ্ঞান আহৰণ কৰিব পাৰে। কিন্তু জ্ঞান সংগঠন প্ৰক্ৰিয়া কেনেদৰে গঠন হয়?

জ্ঞান সংগঠন প্ৰক্ৰিয়া তলত দিয়া ধৰণে গঠন হয়—

- পূৰ্ব জ্ঞান/অভিজ্ঞতাৰ লগত নতুন ভাবধাৰাৰ সংযোজনে নতুন জ্ঞান গঠনত সহায় কৰে। যদি কোনোবাই বস্তু গণনা কৰিব জানে, তেতিয়া যোগ শিক্ষণত ইয়াক লগ লগাব পাৰে, কিন্তু এই স্তৰত প্ৰত্যক্ষভাৱে শতাংশৰ বিষয়ে শিকিব নোৱাৰে। তৎকালীন পৰিৱেশত বিভিন্ন বস্তু আৰু ঘটনা কৌশলেৰে গঠিত হৈ এজন ব্যক্তিৰ মানসিক প্ৰতিৰূপ গঠন হয় আৰু যেতিয়া নতুন বস্তুৰ সান্নিধ্যত আহে, তেতিয়া ব্যক্তিয়ে জনা বস্তুৰ ওপৰত ভিত্তি কৰি নতুন বস্তুটোৰ ব্যাখ্যা কৰে।
- বিভিন্ন ধাৰণাসমূহৰ আন্তঃসম্পৰ্কত গুৰুত্ব প্ৰদানেৰে নতুন ভাবধাৰা/জ্ঞানৰ গঠন হয়। যদি আমি ব্যক্তিয়ে সম্পৰ্ক থকা ধাৰণাৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ মাজত সংযোগ স্থাপন কৰিব পাৰো, তেতিয়া নতুন বস্তু শিকা সহজ আৰু অৰ্থপূৰ্ণ হয়।
- শিক্ষণৰ প্ৰাথমিক স্তৰত মানসিক প্ৰতিৰূপ গঠন আৰু মানসিক আন্তঃসম্পৰ্কৰ প্ৰতিনিধিত্ব দুয়োটা হৈছে জ্ঞান সংগঠনৰ কমলাৰ সৈতে সাদৃশ্য থকা এটা নতুন বস্তু দেখিলে। এইটো দেখাৰ পিছত সি/তাই কমলাৰ সৈতে বস্তুটোৰ সম্পৰ্ক উলিয়াব নোৱাৰিলে আৰু মানসিক প্ৰতিনিধিত্ব সংগঠন হ'ল, তেতিয়া পাছৰ সময়ছোৱাত একে বস্তুটো (ধৰা হ'ল আপেল) সি/তাইৰ বাবে এক নতুন বস্তু হ'ল। আন কথাত ক'বলৈ হ'লে মানসিক প্ৰতিনিধিত্বৰ গঠন হৈছে জ্ঞানৰ সংগঠন।
- সামাজিক দলৰ আদান-প্ৰদান বা সামাজিক ঘটনাই শিক্ষণ অধিক অৰ্থপূৰ্ণ কৰি তোলে। সামাজিক আদান প্ৰদান শিক্ষাৰ্থীসকলক বাস্তৱ পৃথিৱীৰ বিভিন্ন সমস্যা অনুভৱ কৰাত সহায় কৰে। সি/তাই প্ৰশ্নসোধে আনৰ প্ৰতি প্ৰতিক্ৰিয়া দেখুৱাই, সমস্যা গুৰুত্ব দিয়ে, সমস্যাৰ পৰা বহুমুখী ব্যাখ্যা পায় আৰু অৱশেষত সি/তাই মানসিকভাৱে সমাধান কৰিব বিচৰা সমস্যাটোৰ সমগ্ৰ ধাৰণা পায়। সমস্যাৰ বিভিন্ন দিশৰ মানসিক প্ৰতিনিধিত্বই, জ্ঞানৰ নতুন সংগঠনৰ সমস্যা সমাধান কৰে।

আপোনাৰ শিক্ষাৰ্থীৰ জ্ঞান সংগঠনৰ ক্ষেত্ৰত আপোনাৰ ভূমিকা কি?

শিক্ষকৰ ভূমিকা তলত দাঙি ধৰা হ'ল—

- শিক্ষাৰ্থীসকলক শিক্ষণৰ চেষ্টাৰ বাবে সুবিধা দিব লাগে, কিন্তু নতুন ধাৰণা আয়ত্ত কৰাত প্ৰত্যক্ষভাৱে নিৰ্দেশনা দিব নেলাগে।

- শ্ৰেণীৰ প্ৰত্যেক শিক্ষাৰ্থীৰ পূৰ্ব অভিজ্ঞতাৰ ক্ষেত্ৰত অনুভূতি প্ৰৱণ হ'ব লাগে।
- প্ৰকৃত কাৰ্য (বাস্তৱ পৃথিৱী আৰু প্ৰাসংগিক) দিব লাগে।
- তাৎক্ষণিক পৰিৱেশৰ পৰা যিমান সম্ভৱ আহিলা আৰু অভিজ্ঞতা প্ৰদান কৰিব লাগে। আহিলা আৰু তথ্য কৌশলেৰে গঠন কৰিব লাগে যাতে শিক্ষাৰ্থীয়ে অধিক অভিক্ষতা অৰ্জন কৰিব পাৰে।
- শিক্ষণ অধিক বাস্তৱ সন্মত আৰু প্ৰাসংগিক কৰি তুলিবলৈ পূৰ্ব নিৰ্ধাৰিত নিৰ্দেশনাৰ ঘটনাক্ৰমতকৈ বাস্তৱ পৃথিৱী, পৰিৱেশৰ প্ৰাসংগিক শিক্ষণৰ বাবে সুবিধা দিব লাগে।
- বাস্তৱ পৃথিৱীৰ সমস্যা সমাধানৰ বাবে বাস্তৱ ভিত্তিক অভিগমনৰ গুৰুত্ব আৰোপ কৰিব লাগে।
- শিক্ষাৰ্থীক সমস্যা সমাধানৰ বাবে উৎসাহ প্ৰদান কৰিব লাগে বা তেওঁলোকক বিকল্প সমাধান উলিয়াবৰ বাবে সুবিধা প্ৰদান কৰিব লাগে।
- শিক্ষাৰ্থীসকলক প্ৰশ্নসোধাৰ বাবে অনুমতি দিব লাগে আৰু বুদ্ধি সন্মত প্ৰশ্ন উত্থাপনৰ বাবে উৎসাহিত কৰিব লাগে।
- শিক্ষাৰ প্ৰতিফলনত উৎসাহ যোগাব লাগে। বুদ্ধিসন্মত প্ৰশ্ন উত্থাপনত উৎসাহিত কৰি পৰোক্ষভাৱে চিন্তাৰ প্ৰতিফলনত জোৰ দিব লাগে।
- শ্ৰেণীকোঠাত দলীয় আৰু সহযোগিতাপূৰ্ণ শিক্ষণক সহযোগিতা কৰিব লাগে। ওপৰত গুৰুত্ব দিব লাগে।
- স্কুলৰ কাৰ্যাৱলীসমূহক বাহিৰৰ কাৰ্যাৱলীৰ সৈতে জড়িত কৰিব লাগে।
- শিক্ষণ প্ৰগতিত আত্ম বিশ্লেষণ আৰু আত্মমূল্যায়নক অনুপ্ৰেৰণা যোগাব লাগে।

প্ৰশ্ন ঃ নতুন জ্ঞান গঠনৰ ক্ষেত্ৰত পূব অভিজ্ঞতাৰ ভূমিকা কি?

## ১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- শিক্ষণ হৈছে এক প্ৰক্ৰিয়াযিয়ে মানৱ আচৰণ, জ্ঞান, অভ্যাস আৰু জীৱনৰ চাহিদা পূৰণৰ বাবে প্ৰয়োজনীয় ব্যক্তিত্বৰ দিশসমূহৰ এক স্থায়ী পৰিৱৰ্তন আনে।
- শিক্ষণ এক অবিৰত, ইচ্ছাকৃত, লক্ষ্য প্ৰণোদিত আৰু সক্ৰিয় প্ৰক্ৰিয়া যি ব্যক্তিৰ নিজ পৰিবেশৰ সৈতে আদান-প্ৰদানৰ ফলস্বৰূপে উদ্ভৱ হয়।
- শিক্ষণৰ ওপৰত প্ৰভাৱ পেলোৱা কিছুমান উপাদান হৈছে পৰিপক্কতা, পৰিৱেশ, শিক্ষণৰ প্ৰস্তুতি আৰু অভিৰোচন।
- শিশুই বিভিন্ন পদ্ধতিৰ যোগেদি শিকে যেনে— অনুকৰণ, নিৰীক্ষণ, প্ৰচেষ্টা আৰু ভুল, অংশগ্ৰহণ, আৱিষ্কাৰ আৰু সমস্যা সমাধান। শিক্ষণৰ এক শক্তিশালী পদ্ধতি হৈছে বস্তু গ্ৰহণৰ বাবে অৰ্থ সজোৱা।
- শিক্ষণৰ প্ৰচলিত নিৰ্দেশনা প্ৰক্ৰিয়াৰ উপৰি, আচৰণ সংশোধন অভিগমনৰ শ্ৰেণী কোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত যথেষ্ট প্ৰভাৱ আছে।

- সংজ্ঞানাত্মক বিকাশৰ শিক্ষণ আৰু জ্ঞান গঠনৰ শিক্ষণে প্ৰাথমিক স্তৰৰ শিশুসকলৰ শিক্ষণৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনীয়তা সৃষ্টি কৰে।

**১.৬ অগ্ৰগণি নিৰীক্ষণৰ বাবে আৰ্হি প্ৰশ্নাৱলী**

**প্ৰ ঃ ১** প্ৰদত্ত তালিকাৰ পৰা যিকোনো তিনিটা।

**প্ৰ ঃ ২** (ক) আভ্যন্তৰীণ অভিৰোচন ভিতৰৰ পৰা আহে কিন্তু বাহিৰে অভিৰোচন আনে সৃষ্টি কৰিব লাগে। (খ) আভ্যন্তৰীণ অবিৰোচন বাহ্যিক অভিৰোচনতকৈ বেছি সময় থাকে।

প্ৰ ঃ ৩ পথভ্ৰষ্ট আচৰণৰ শাস্তিৰ বাবে আৰ্হি দেখুৱাব লাগে।

প্ৰ ঃ ৪ (ক) বিশেষ দিশবোৰত প্ৰাধান্য দিবলৈ শিক্ষাৰ্থীক সহায় কৰিব লাগে (খ) কাৰ্যৰ বাবে মানসিক প্ৰস্তুতিক উৎসাহ যোগাব লাগে। (গ) নিৰীক্ষন্ধীয় কাৰ্য অনুশীলনৰ বাবে সুবিধা প্ৰদান কৰিব লাগে। (ঘ) নিৰীক্ষণৰ পৰা শিকিবলৈ শিক্ষাৰ্থীক অভিৰোচিত কৰিব লাগে।

প্ৰঃ ৫ (ক) পুৰস্কাৰ প্ৰদান আৰু (খ) শিক্ষাৰ্থীৰ লগত আলোচনা কৰিব লাগে আৰু আত্ম মূল্যায়নৰ বাবে উৎসাহিত কৰিব লাগে।

প্ৰ ঃ ৬ অনুশীলনী নীতি, ফলাফল নীতি আৰু প্ৰস্তুতিৰ নীতি

প্ৰ ঃ ৭ সকলো কাৰ্যাৱলীত সক্ৰিয়য়ভাৱে অংশগ্ৰহণ আৰু (খ) প্ৰশ্নসোধা

প্ৰ ঃ ৮ কাৰ্যৰ নীতি, যুক্তিসংগত চিন্তাৰ নীতি, জনাৰ পৰা নজনাকৈ অগ্ৰসৰৰ নীতি, উদ্দেশ্য পূৰ্ণ অভিজ্ঞতাৰ নীতি, বিকল্প সন্ধানৰ নীতি।

প্ৰ ঃ ৯ সমস্যাৰ সংজ্ঞা প্ৰদান আৰু চিনাক্তকৰণ, সমস্যাৰ বিশ্লেষণ, অনুমান গঠন, অনুমানৰ পৰীক্ষা কৰা আৰু ফলাফল নিৰ্ধাৰণ কৰা।

প্ৰ ঃ ১০ সংশোধনৰ পৰা অহা কোনো বস্তু বা ঘটনাৰ অৰ্থ প্ৰদান। যেতিয়া আমি আমাৰ সংবোধনৰ পৰিবৰ্তন বা সংশোধন কৰে। তেতিয়া আমি আগতে লাভ কৰা অৰ্থক সংশোধন কৰো, এনেদৰে আমি আমাৰ অভিজ্ঞতা সংশোধন কৰিব পাৰো বা নতুন জ্ঞান আহৰণ কৰিব পাৰো। এনেদৰে সংশোধনে আমাৰ শিক্ষণৰ ৰূপ দিয়ে।

প্ৰ ঃ ১১ প্ৰতিপুষ্টিৰ প্ৰদানৰ মাধ্যমত

প্ৰ ঃ ১২ নেতিবাচক প্ৰতিপুষ্টিয়ে অপ্ৰীতিকৰ উদ্দীপকক আঁতৰাই নি সকাহ দিয়ে আৰু এনেদৰে উপযুক্ত আচৰণৰ গঢ় দিয়ে। অন্যহাতে শাস্তি হৈছে অপ্ৰীতিকৰ আৰু উপযুক্ত আচৰণ ক্ষেত্ৰত বাধা দিয়ে।

প্ৰ ঃ ১৩ মূৰ্ত ব্যৱহাৰিক স্তৰক মূৰ্ত বস্তুৰ দ্বাৰা প্ৰকাশ কৰাই শক্তিশালী কৰি তুলিব পাৰি, সেইবাবে প্ৰাথমিক স্তৰত ( ৭-১২ বছৰ বয়স) শিক্ষণ-শিক্ষণৰ বাবে বেছি শিকন আহিলাৰ প্ৰয়োজন।

প্ৰঃ ১৪ দলীয় শিক্ষণে সামাজিক আদান-প্ৰদানৰ বাবে সুবিধা প্ৰদান কৰে, যিটো উপযুক্ত সংজ্ঞানাত্মক বিকাশৰ বাবে প্ৰয়োজনীয়।

প্ৰ ঃ ১৫ পূৰ্ব অভিজ্ঞতাই নতুন অভিজ্ঞতাৰ পৰা একে ধৰণৰ উপাদান/ ধাৰণা সংযোগ কৰিছিল আৰু নতুন সংগঠনত সহায় কৰিছিল।

## ১.৭ অধিক জানিবলৈ প্ৰসংগ পুথি

## ১.৮ অধ্যায়ৰ শেষৰ অনুশীলন

১. শিক্ষণ প্ৰক্ৰিয়াৰ সংজ্ঞা দিয়ক আৰু ইয়াৰ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰক।

২. উদাহৰণসহ নিৰীক্ষণীয় শিক্ষণ প্ৰক্ৰিয়াৰ বৰ্ণনা কৰক। নিৰীক্ষণীয় শিক্ষণত অনুকৰণে কেনেদৰে সহায় কৰে?

৩. শ্ৰেণীকোঠাৰ অনুশীলনৰ পৰা নিৰ্গত আচৰণৰ সংশোধনৰ প্ৰক্ৰিয়া বৰ্ণনা কৰক।

৪. শিক্ষাৰ্থীৰ সংজ্ঞানাত্মক বিকাশৰ ক্ষেত্ৰত প্ৰাথমিক স্কুলৰ শিক্ষকৰ ভূমিকা উল্লেখ কৰক।

৫. অৰ্থ প্ৰদানৰ শিক্ষণ আৰু জ্ঞান গঠনৰ শিকনৰ মাজৰ সম্পৰ্ক পৰীক্ষা কৰক।